DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

প্ৰকাশকৰ নিবেদন

৪৮৬ শঙ্কৰাব্দৰ ১৩ ভাদৰ দিনা শিৱসাগৰ বিষ্ণু দ'লত শঙ্কৰদেৱ সমাজৰ জৰীয়তে পতা মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ তিথি মহোৎসৱৰ সভাত প্ৰধান সাহিত্যিক শ্ৰীযুত ৰজনীকান্ত বৰদলৈ বি-এ ডাঙ্গৰীয়াৰ যে বহুমূলীয়া অভিভাষণ খন পুথিৰ আকাৰে প্ৰকাশ কৰি ৰাইজলৈ আগবঢ়োৱা হ'ল। এই পুথি প্ৰকাশৰ অনুমতি দিয়া বাবে আৰু আৰ্হণি স্বৰূপে সোঁপাৰ ... শঙ্কৰদেৱ সমাজৰ পুঁজিলৈ দান দিয়া বাবে আমি শ্ৰদ্ধেয় বৰদলৈ ডাঙ্গৰীয়ালৈ এখন শলাগৰ শৰাই আগবঢ়ালো। শ্ৰীযুত ভৱনাথ গোহাঁই বৰুৱা ডাঙ্গৰীয়াই এই কাৰ্য্যত যথেষ্ট উদ্গনি দিয়া বাবে তেখেতৰ নামত শলাগ লৈছো। এই পুথিয়ে মহাপুৰুষৰ মহত্ত্ব আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ মাহাত্ম্য ৰাইজৰ মাজত প্ৰচাৰ কৰাত যথেষ্ট সহায় কৰিব বুলি ভৰসা কৰিলোঁ।

শিৱসাগৰ,
ভাদ ৪৮৬ শঙ্কৰাব্দ

শ্ৰীপদ্মধৰ চলিহা

GOVERNMENT OF ASSAM
Call No ..
DISTRICT LIBRARY.

ত্বমাদিদেবঃ পুৰুষঃ পুৰাণ-
স্তমস্য বিশ্বস্য পৰং নিধানম্
বেত্তাসি বেদ্যঞ্চ পৰঞ্চ ধাম
ত্বয়া ততং বিশ্বমনন্তৰূপ
বায়ুৰ্যমোঽগ্নিৰ্বৰুণঃ শশাঙ্কঃ
প্ৰজাপতিস্ত্বং প্ৰপিতামহশ্চ
নমো নমস্তেঽস্তু সহস্ৰকৃত্বঃ
পুনশ্চ ভূয়োঽপি নমো নমস্তে
নমঃ পুৰস্তাদথ পৃষ্ঠতস্তে
নমোঽস্তু তে সৰ্ব্বত এব সৰ্ব্ব
অনন্তবীৰ্য্যামিতবিক্ৰমস্ত্বং
সৰ্ব্বং সমাপ্নোষি ততোঽসি সৰ্ব্বঃ ॥

প্ৰাৰ্থনা

তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্ত্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ চেনেহ ছায়া দিয়া দূৰ কৰা মায়া
মোকে কৃপা কৰা ভগৱন্ত ॥
তুমি [illegible] অন্তৰ্যামী তযু ভৃত্য ভৈলোঁ আমি
জানি কৃপা কৰা হৃষীকেশ।
[illegible] তুলি লওঁ যি মতে সেৱাত ৰওঁ
দিয়া মোক সেহি উপদেশ ॥
তুমি ভক্ত কল্পতৰু বাহিৰে ভিতৰে গুৰু
তুমি বিনে নাহি মোৰ আৰ।
কৃপা কৰা হে হৰি চৰণত ৰক্ষা কৰি
দিয়া মোক [illegible] ॥

741

GOVERNMENT OF ASSAM
Call No............
DISTRICT LIBRARY

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ
আৰু
মহাপুৰুষীয়া ধৰ্ম্ম

শিৱসাগৰ শঙ্কৰদেৱ সমাজৰ জৰীয়তে
পৰমা মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ
তিথি মহোৎসৱৰ
সভাপতিৰ অভিভাষণ।

এই আজি আমাৰ অসমৰ কৃষ্টি, সভ্যতা আৰু ভাষাৰ কেন্দ্ৰস্থল আৰু আমাৰ আহোম ৰজাসকলৰ পূৰণি ৰাজধানী শিৱসাগৰ নগৰত আপোনালোকৰ আগত প্ৰভু শঙ্কৰদেৱৰ তিথি উপলক্ষে কিয় কৈ দুষাৰ কবলৈ সুবিধা পাইছোঁ। সেই বাবে মই নিজকে সৌভাগ্যবান বুলি ভাবিছোঁ। মোক এই সুবিধাটো দিয়াৰ বাবে মই আপোনালোকক মোৰ ধন্যবাদ জনালোঁ।

আমাৰ অসম আজি বিশেষ সমস্যাত পৰিছে। প্ৰভাৱশালী বিদেশী ভ্ৰাতৃসকলৰ হেঁচাত পৰি আজি আমাৰ কৃষ্টি, সভ্যতা, ভাষা, জাতীয়তা সকলো লোপ পাবৰ উপক্ৰম হৈছে আত্মৰক্ষাৰ অৰ্থে, অৰ্থাৎ নিজৰ ভাষা, সাহিত্য,

DISTRICT LIBRARY
HEM BARUA COLLECTION

কৃষ্টি সভ্যতা, জাতীয়তা ৰক্ষা কৰিবলৈ হলে প্ৰত্যেক অসমীয়াকে কি ডেকা, কি বুঢ়া সকলোৱেই জাতি বৰ্ণ ধৰ্ম্ম নিৰ্বিশেষে আত্মনিয়োগ কৰিব লাগিব অৰ্থাৎ এই নীৰৱ যুদ্ধ খনত একেগোটকৈ চেষ্টা কৰিব লাগিব। যুদ্ধত জয় হবলৈ হলে আমাক বুদ্ধি বল বিদ্যা বল, বিশেষকৈ চৰিত্ৰ বল আৰু নীতি বল লাগিব। যদিও ঈশ্বৰৰ অস্তিত্ব নামানিও হিউম, বেন্থাম মিল আৰু আমাৰ বুদ্ধদেৱে চৰিত্ৰবল আৰু নীতিবলত অতি উৎকৃষ্ট স্থান লাভ কৰিছিল তথাপি আমাৰ নিচিনা সাধাৰণ মানুহৰ নিমিত্তে এই নৈতিক বল পাবলৈ শিক্ষা আৰু ধৰ্ম্মৰ বল লাগে। বিনা ধৰ্ম্মবলে কোনো জাতিয়েই মূৰ তুলিব পৰা নাই তাৰ প্ৰমাণস্বৰূপে চাওক, বেবিলন নামৰ সাম্ৰাজ্যখন আৰু এটলাণ্টিচ নামৰ মহাদেশখন এবাৰত সভ্যতাৰ আৰু উন্নতিৰ উচ্চ শিখৰত উঠিছিল। কিন্তু শেষত এই দুটা ঠাইৰ মানুহসকল উন্নতিত মতলীয়া হৈ ঈশ্বৰক আৰু ধৰ্ম্মক ত্যাগ কৰিলে. ফলত ঈশ্বৰেও তেওঁলোকক [illegible] [illegible] পাপৰ ভাৰ সহিব নোৱাৰি এই দুয়োখন ঠাইকে সাগৰৰ গৰ্ভত লীন কৰিলে। আমাৰ অসম দেশতো প্ৰবাদ আছে যে পাপত পৰি 'দেবল আৰু সাতোল' নামেৰে দুখন সমৃদ্ধিশালী গাওঁ বিলত পৰিণত হৈছিল আৰু তাৰ অধিবাসীসকল অবলা ভেকো বাদুলি, বেঙ, সাপ, মাছ, কেকোৰা, শামুক ইত্যাদি জলজন্তুত পৰিণত হৈছিল। এনেকৈ ধৰ্ম্মৰ বলতহে

একাদিক্রমে হিন্দু জাতি, গ্ৰীক জাতি. ৰোমান জাতি. মছলেম সকল এক এক কালত পৃথিবীৰ অধিপতি হব পাৰিছিল।

পিছত এই ধৰ্ম্ম বস্তুটোনো কি? বুদ্ধ ধৰ্ম্মৰ মানুহসকলত বাজে সকলোৱেই কয় ধৰ্ম্ম মানে ঈশ্বৰত বিশ্বাস, প্ৰেম, শ্ৰদ্ধা, ভক্তি আৰু তাৰ লগে লগে কেতবোৰ ক্ৰিয়া-কলাপ Ritual-অৰ্থাৎ অনুষ্ঠান আৰু আচাৰ-ব্যৱহাৰ। বৌদ্ধ ধৰ্ম্ম আচাৰ ব্যৱহাৰ আৰু সজ নীতি. সজ জ্ঞান, সজ কৰ্ম্ম, ইত্যাদিৰ ওপৰত স্থাপিত।

কিন্তু ঈশ্বৰত ভাব, বিশ্বাস. শ্ৰদ্ধা. ভক্তি. আচাৰ-ব্যৱহাৰ অনুষ্ঠান একো একো জাতিয়ে একোজনা অৱতীৰ্ণ মহা-পুৰুষৰ পৰা পায়। বিনা জ্ঞানে, ভক্তিয়ে, কৰ্ম্মই আৰু বিনা মহাপুৰুষ একোজনৰ কৃপাত ধৰ্ম্মৰ তত্ত্ব কেৱে বুজিব নোৱাৰে। মহাভাৰতত যুধিষ্ঠিৰে বকৰূপী ধৰ্ম্মৰাজাৰ প্ৰশ্ন "কঃ পন্থা" ইয়াৰ উত্তৰত কৈছিল —"ধৰ্ম্মস্য তত্ত্বং নিহিতং গুহায়াং মহাজনো যেন গতঃ সঃ পন্থা" অৰ্থাৎ ধৰ্ম্মৰ তত্ত্ব গুহাৰ ভিতৰত, আন্ধাৰৰ ভিতৰত, সেইদেখি মহাজন সকলে মহাপুৰুষসকলে যি বাটেদি যায় অথবা যি ভাব, আচাৰ-নীতি, ক্ৰিয়া কলাপেদি যায় সেই বাটেদি গলেই ধৰ্ম্ম আৰু ঈশ্বৰক পোৱা যায়। মছলেম ধৰ্ম্মৰ আদি মহাপুৰুষ মহম্মদ, খৃষ্টান ধৰ্ম্মৰ যীশু, বৌদ্ধ ধৰ্ম্মৰ বুদ্ধ. সেইদৰে হিন্দু বৈষ্ণৱ ধৰ্ম্মৰ আদি মহাপুৰুষ শ্ৰীকৃষ্ণ হলেও সেওঁৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছৰ পৰা তেওঁৰ পবিত্ৰ প্ৰেম ভক্তিৰ ভাব বৈষ্ণৱ ধৰ্ম্মত অলপ অলপ কেৰোণ লাগি লোপ

পাই আৰু ব্যভিচাৰী ৰীতি-নীতি হেৰাই ভাৰতৰ ঠায়ে ঠায়ে মহাপুৰুষ উপজি প্ৰভু শ্ৰীকৃষ্ণৰ সেই প্ৰেম মূলাত্মক ধৰ্ম্ম সংস্থাপন কৰিছিল। বঙ্গদেশত চৈতন্য মহাপ্ৰভুৱে, আসামত ৺শঙ্কৰদেৱ মহাপ্ৰভুৱে স্বকীয়া স্বকীয়া ভাবে এই প্ৰেমমূলাত্মক, ক্ৰিয়া-কলাপ অনুষ্ঠান মূলাত্মক, বৈষ্ণৱ ধৰ্ম্মক সংস্থাপিত কৰি গৈছে। সেইদেখি আমাৰ প্ৰত্যেক অসমীয়া হিন্দুৰে ধৰ্ম্মপক্ষেও মহাপ্ৰভু ৺শঙ্কৰদেৱ প্ৰাণৰো প্ৰাণ। তেওঁ আমাৰ শুভানুধ্যায়ী, অৱতাৰী পুৰুষ আৰু ইংৰাজীত কবলৈ গলে ঈশ্বৰ কৃষ্ণ অৱতাৰিত নাজেও Patron-Saint। গত জাৰ্ম্মান যুদ্ধত অৰ্থাৎ World War-ত যেতিয়া জাৰ্ম্মান সকলে ফৰাচী আৰু ইংৰাজ সৈন্যক বলেৰে হেঁচা দি সৰ্ব্বনাশ কৰিব ধৰিছিল সেই সময়ত হেনো ইংৰাজ সৈন্যৰ অনেকেই আৰু ফৰাচী সৈন্যৰো ভালেমানে হেনো তেওঁলোকৰ Patron-Saint সকলক যুদ্ধৰ স্থলিত দেখিছিল আৰু সেই দৰে দেখিয়েই হেনো হৃদয়ত বল, সাহস, বিশ্বাস লৈ জাৰ্ম্মানৰ আক্ৰমণৰ গতি ৰোধ কৰি শেষত যুদ্ধত জয়ী হল। যদিও আমাৰ এই বুজখন সশৰীৰী যুদ্ধ নহয়—কেৱল নিজৰ ভাষা, সভ্যতা আৰু কৃষ্টি ৰক্ষা কৰিবলৈ কৰা চেষ্টা মাথোন তথাপি মোৰ বিশ্বাস আজিৰ এই দিনত প্ৰত্যেক অসমীয়াই বিশেষ হিন্দু অসমীয়াসকলে যদি এক মনে এক প্ৰাণে প্ৰভু শঙ্কৰ দেৱৰ নামত আশ্ৰয় লয়, তেওঁৰ সহায় একান্তমনে মাগে, তেনেহলে পূৰ্ব্বৰ গৌৰৱ আৰু ভাষা

সম্ভাৰে মণ্ডিত এই অসমীয়া জাতিটো লোপ পোৱাৰ পৰা ৰক্ষা পৰিব। দুৰ্ব্বলৰ বল মাইকৈ ঈশ্বৰ আৰু ৰজা— তেওঁৰ অৰ্থাৎ ৺শঙ্কৰ দেৱৰ নামে, তেওঁৰ ধৰ্ম্মে, আমাক ঈশ্বৰৰ পৰা আৰু ৰজাঘৰৰ পৰাও মৰম আৰু সহায় পোৱাব। আমি মাথোন আমাৰ নৈতিক বলেৰে চৰিত্ৰেৰে জগতক দেখুৱাব পাৰিব লাগে ৺শঙ্কৰ দেৱ মহাপ্ৰভুৱে দি যোৱা ধৰ্ম্মটো কেনে সুন্দৰ, কেনে পবিত্ৰ, কেনে মহান্। প্ৰভু শঙ্কৰ দেৱৰ ধৰ্ম্মৰ উৎকৰ্ষতা দেখুউৱাৰ আগতে মই বোধ কৰোঁ প্ৰভুৰ জীৱনীৰ এটা অতি চমু আলোচনা কৰা উচিত হব, আৰু সেইমতে বাজেও প্ৰভু শঙ্কৰদেৱে আমাক কি কি সম্বাদ দি গৈছে তাকো চমুকৈ উল্লেখ কৰিলেহে দেখুৱাব পাৰিম প্ৰভু শঙ্কৰ দেৱে আমাৰ অসমীয়া হিন্দুৰ কেনে ত্ৰাণ কৰ্ত্তা।

প্ৰভু ৺শঙ্কৰদেৱ উপজিছিল নগাৱঁৰ বৰদোৱা থানত কায়স্থ কুলোদ্ভৱ কুসুম্বৰ ভূঞাৰ ঔৰসে ৺সত্যসন্ধা খেৰসূতী আইৰ গৰ্ভত ১৩৭১ শকৰ আহিন মাহৰ পাঁচ তাৰিখ শুক্ৰবাৰ শুক্লা দশমী তিথিত আৰু নানা লীলা-খেলাৰ অন্তে ১১৯ বছৰ কাল আয়ুষ ভুগি বৈকুণ্ঠ প্ৰয়াণ কৰিছিল ১৪৯০ শকত। ৺ৰামচৰণ কৃত চৰিতত আছে প্ৰভুৱে উপজিবৰ দিন ধৰি ধাই মাক সকলক, পিতৃ দেৱক, লগত ৰং-ধেমালি কৰি ফুৰা লৰাসকলক নানা miracles অৰ্থাৎ আচৰিত ২ ঐশ্বৰিক ক্ষমতা দেখুৱাইছিল। আমি বৰ্ত্তমানৰ এই বৈজ্ঞানিক যুগত এই বিলাক বিৱৰণ সম্পূৰ্ণৰূপে বিশ্বাস নকৰিলেও

আমি এইটো দৃঢ় নিশ্চয় কৰি পাওঁ যে মহাপ্ৰভু ৺শঙ্কৰদেৱ এজন সাধাৰণ বিধৰ মনুষ্য নাছিল। তেওঁ ঐশ্বৰিক শক্তিৰে বিভূষিত এজন অসাধাৰণ দেৱ চৰিত্ৰৰ অৱতাৰি পুৰুষ আছিল। ৰামচৰণ ঠাকুৰৰ চৰিত্ৰৰ আৰম্ভণতে লিখা আছেঃ—

পূৰ্ণেশ্বৰাংশ ভগৱান বৈকুণ্ঠে প্ৰবসন্নপি
কুসুমস্য গৃহে জাতো ধৰ্ম্ম ৰক্ষাৰ্থ
নন্দশ্চ কুসুমঃ খ্যাতঃ যশোদা সত্যসন্ধ্যাকা
তস্মাত্ শঙ্কৰো নাম্না কলৌ কল্মষ নাশনঃ

শিশুকালৰে পৰা প্ৰভুৱে যি কৰ্ম্ম কৰিছিল তাতে অতি ভুখ বিধৰ উদ্যম দেখুৱাইছিল। শিশুকালত সমনীয়া লৰা-ছোৱালীৰ সৈতে খেলা-ধেমালি কৰোঁতে তেওঁ আগ বঢ়োৱা আছিল। শৰীৰৰো বলো কম নাছিল এনেয়ে অৱতাৰী মহা-পুৰুষ, তাতে মুকলি মূৰেৰে, মুকলি আকাশৰ তলত, মুকলি পানীত ধলি পানি লই, মুকলি মনেৰে ফুৰি চাকি ডাঙৰ দীঘল হৈছিল। নৈত সাঁতুৰি তেওঁ ব্ৰহ্মপুত্ৰ নদ পাৰ হৈছিল. খেদা মাৰি পছ ধৰিছিল. উদ্দাম ষাঁড়ে বাটত মাৰিবলৈ খেদোঁতে সেই ষাঁড়ক সিঙত ধৰি তিনি পাক ঘূৰাই এনেভাৱে দমন কৰিছিল যে পিছলৈ ডেকা গিৰিৰ (৺শঙ্কৰদেৱৰ আন নাম) নাম শুনিলেই ষাঁড়টো লৰি পলাইছিল।

শৰীৰৰ বলৰ লগতে প্ৰভু শঙ্কৰদেৱৰ মনো সৰু কালৰে পৰা ঈশ্বৰ মুখীয়া আছিল। লৰাকালতে পালিত ধেমালি কৰোঁতেও ঃ—

ৰামৰাম গুৰু শিশুগণ সঙে
লাগিত কৰে চলন্ত
কোমল বালিক কান্ধায়া আনিয়া
দোলক কৰো বান্ধন্ত ॥
কণ্ডিলা কাষ্ঠৰ প্ৰতিমা সাজিয়া
তুলি দোল উপৰত।
কেৰ ফলক চামৰ কৰিয়া
ফুৰা কৰো আনন্দত ॥
ৰচিল চন্দ্ৰৰ চন্দ্ৰাতাপ দিয়া
দণ্ড ধৰি নচাৱন্ত।
খাগৰা বাৰিৰ চতুৰ্দোল সাজি
বনে বনে ফুৰাৱন্ত ॥"

(দ্বিজ ৰামানন্দ কৃত চঃ)

প্ৰভুৱে সৰত পতু পিতামহ আৰু আন ভুঞাসকলে যেনেদৰে ঈশ্বৰক পূজিছিল আৰু যি দৰে ঈশ্বৰ কৃষ্ণৰ পূজাৰ অংগ ক্ৰিয়া কলাপ আচৰিছিল সেই দৰেই প্ৰভুৱে লৰাকালতে মন কৃষ্ণত ভক্তি কৰিছিল।

প্ৰভুৱে এই দৰে প্ৰায় বাৰ বছৰ বয়সলৈকে খেল-ধেমালি কৰি নপঢ়ি সুশুনি কটোৱা দেখি পিতামহ সৰাবৰে এদিন ৰং-ধেমালি কৰা ঠাইৰ পৰা মৰমেৰে মাত আনি সভাসদা আইৰ হতুৱাই প্ৰভুক ধুৱাই পখলাই, খুৱাই বুৱাই ভাল ভাল কাপোৰ আৰু অলঙ্কাৰ পিন্ধাই কোলাত বহুৱাই কলে :-

"সর্ব্বসুলক্ষণ পঢ়িবে যতন
কেন বাপ্ নকৰাহা
আমাৰ উপৰি বংশ যত যত
পণ্ডিত সবে জানাহা।
শাস্ত্ৰৰ নিৰ্ণীত পণ্ডিত হৈলেসে
সবলোকে আদৰয়।
মূৰ্খ হৈলে তাক পণ্ডিত সকলে
তৃৰ্ণ বুলি নমানয়॥
যদ্যপি ৰূপবন্ত যৌবন সম্পন্ন
উত্তম কুলে প্ৰকাশ।
বিদ্যাহীন জনে শোভা নকৰয়
নিৰ্গন্ধা যেন পলাশ।
বস্ত্ৰ অলঙ্কাৰে পিন্ধিয়া দূৰত
শোভা কৰে মূৰ্খ চয়।
তাৰত মূৰ্খৰ শোভা জানিবা
বাক্য যেবে নোবোলয়॥"

তাৰ পিছতপে ককাকে বুজনি দিলত প্ৰভুৱে উত্তৰ দিলে

"আত অনন্তৰে শঙ্কৰে বোলন্ত
শুনা থিৰ কৰি চিত
মূৰ্খ হইবো মই হেন শঙ্কা তুমি
নকৰিবা কদাচিত।

আজি হন্তে মই পঢ়িবলৈঁ নিশ্চয়
এক কথা কৰিয়োক।
উত্তম বিশিষ্ট ব্ৰাহ্মণ চাহিয়া
পঢ়ন-শালে দিয়োক।"

প্ৰভুৰ এই কথা অনুসাৰে ককাকে প্ৰভুক কলাপ কেশৰী নামৰ ব্ৰাহ্মণৰ টোলত পঢ়িবলৈ দিলে। প্ৰভুৰ মনৰ বলে যেনেকুৱা বুদ্ধিও তেনেকুৱা প্ৰখৰ আছিল। এদিন গুৰুৱে আন আন লৰাক নিজৰ নিজৰ উপাস্য দেৱতাৰ স্তুতি বৰ্ণন কৰি একোটা শ্লোক লেখি আনিবলৈ কোৱাত প্ৰভুৱেও ক, খ ফলাখন শিকিয়েই, আকাৰ ইকাৰ, যুক্তাক্ষৰ, বানান, সন্ধি এইবিলাক নো শিকোঁতেই ৰাতিৰ ভিতৰতে ঈশ্বৰ কৃষ্ণক বৰ্ণাই।—

কৰতল কমল, কমল দল নয়ন।
ভৱ দব দহন গহন বন শয়ন॥
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়॥
খৰতৰ বৰশৰ হতদশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন॥
জগদঘ মপহৰ ভৱ ভয় তৰণ।
পৰ পদ লয়পদ কমলজ নয়ন।

এই শ্লোকটো কৰিলে ৰাতিপুৱা কৃষ্ণাষ্টক নামৰ এই স্তোত্ৰটো পাই গুৰু আচৰিত হ'ল। আৰু জানিলে যে

প্ৰভু শঙ্কৰদেৱৰ কম মনুষ্য নহয় কিয়নো সেই বয়সতে আকাৰ-ইকাৰাদি নৌ শিকোঁতেই এনেকুৱা "অত্যান্ত কবিত্ব শ্লোক, অৰ্থতো গহন, পৰম লাৱণ্য, শুনিবাক সুশোভন ৰচি নিছিল। গুৰুৱে প্ৰভু শঙ্কৰদেৱক "শ্ৰীমন্ত ঈশ্বৰ কৃষ্ণ কৰোঁ নমস্কাৰ" এই বুলি কৈ নমস্কাৰ কৰিলে। এই খিনিতে কথা এটা উঠে। কলাপ কেশৰীৰ নিচিনা পণ্ডিত ব্ৰাহ্মণ এজনে তেওঁৰ ছাত্ৰ প্ৰভু শঙ্কৰদেৱক কি কাৰণতনো কৃষ্ণ বুলিলে আৰু ৰামচৰণ ঠাকুৰে কৰা চৰিত্ৰতনো কি কাৰণে প্ৰভুক "পূৰ্ণশ্বৰংশ ভগবান বৈকুণ্ঠে কুস্থসস্থ গৃহে জাতো ধৰ্ম্ম প্ৰবসান্নপি ৰক্ষাৰ্থে ইত্যাদি" বচনেৰে কৃষ্ণ বুলিছে।

বেদান্তাপণ্ডিত মীমাংসক আৰু প্ৰায় সকলো দাৰ্শনিকেই স্বীকাৰ কৰে যে মনুষ্য মাত্ৰতেই আন কি সমস্ত জীৱতেই ঈশ্বৰ বা ঈশ্বৰৰ অংশ আছে। অতি ওখ থাপৰ যোগী আৰু দাৰ্শনিকসকলে কয় যে প্ৰত্যেক মানুহেই ঈশ্বৰৰ অৱতাৰ। মানুহতেহে ঈশ্বৰে আশ্ৰয় কৰি ধৰ্ম্ম গ্লানি গুচাবলৈ ধৰ্ম্ম সংস্থাপন কৰিবলৈ অৱতাৰ লয়। চণ্ডীদাসে তেওঁক সত্য বস্তুটো কি এই কথা পণ্ডিত সকলে সোধাত উত্তৰ দিছিল সত্য বস্তু মানুহ যি মানুহৰ ভিতৰত ঈশ্বৰৰ ভাব, কৃষ্ণৰ ভাব, সৰহ থাকে সেই মানুহেই শেষত তেওঁ আৰাধনা কৰা দেৱতাতে পৰিণত হয়গৈ।

প্ৰভু শঙ্কৰদেৱে তেওঁৰ বুজন কালৰে পৰা কৃষ্ণ কথা

কইছিল, কৃষ্ণ নাম গাইছিল, কৃষ্ণৰূপ চিন্তিছিল। তেওঁৰ এনেকুৱা মানসিক বৃত্তিৰ চিন পণ্ডিতদেৰে সেই একেটা শ্লোকতে বুজিব পাৰি প্ৰভু শঙ্কৰদেৱক তেতিয়া তেওঁৰ ছাত্ৰ হলেও কৃষ্ণ বুলি নমস্কাৰ কৰিছিল।

প্ৰভুৱে কৃষ্ণ নাম, কৃষ্ণৰূপ অহৰ্নিশে লৈছিল। ইয়াৰ পিছত প্ৰভু শঙ্কৰদেৱে কিছু কাল গুৰুগৃহত থাকি বৃত্তি পাঞ্জি, টিকা, বড়ুৱাটিক, কাব্য, কোষ, পুৰাণ, ভাৰত ইত্যাদি সমস্ত শাস্ত্ৰ সেই কালত সংস্কৃত ভাষাত শিকি মহা পণ্ডিত হৈ নিজ ঘৰলৈ আহিল আৰু কিছুদিন ঘৰতে যোগ আচৰি সূৰ্য্যাৰ পিতামহৰ অনুৰোধ এৰাব নোৱাৰি বিয়া কৰালে। ইয়াৰ পিছত ভূঞাসকলে মিলি প্ৰভুক শিৰোমণি ভূঞা পাতি ভূঞাসকলৰ ৰাজ্যখান চলাবলৈ নিয়োগ কৰিলে।

বিবাহ কৰি মনুকন্যাক প্ৰভুৱে উপাৰ্জ্জন কৰিলেও আৰু ৰাজ্য চলোৱা কামত থাকিও প্ৰভুৰ মনৰ গতি সেই পৰম পুৰুষ ভগৱন্ত কৃষ্ণৰূপী অমৃতৰ সাগৰৰ ফালেহে আছিল। কি খৃষ্টিয়ান, কি মুছলমান, কি বৌদ্ধ, কি ব্ৰাহ্ম, কি জৈন সকলো ধৰ্ম্মৰে ধাৰ্ম্মিকৰ মন এনেকুৱাই। আন আন অৱতাৰী মহাপুৰুষসকলৰ দৰে প্ৰভু শঙ্কৰদেৱৰ জীৱনো সৰু কালৰে পৰা দুঃখময়। সৰুতে মাতৃস্নেহ কি বস্তু নাজানিলে বিয়া কৰোৱাৰ অলপ পিছতেই কচাৰীৰ উৎপাতত বৰদোৱাত থাকিব নোৱাৰি সকলো ভূঞা আৰু স্ত্ৰী কন্যা সমন্বিত প্ৰভু গাঙ্গমৌলৈ উঠি গৈছিল। সেই

গাঙ্গমৌত প্ৰভুৰ পিতামহ সুনাবৰ বৈকুণ্ঠী হ'ল। তাৰ অলপ পিছতে প্ৰভুৰ প্ৰথমা ভাৰ্য্যা হৰিপ্ৰিয়া আয়ো বৈকুণ্ঠী হ'ল। মনত বৈৰাগ্য উপাস্থিত হৈ প্ৰভুৰ মন আৰু বেছিকৈ ধৰ্ম্মৰ ফালে, প্ৰভু কৃষ্ণৰ ফালে, তীৰ্থ পৰ্য্যটনাদিৰ ফালে ঢাল ললে। ভায়েক বনগঞাগিৰিক প্ৰভুৰ আইতাক সত্যসন্ধ্যা আইক, মন্তু, আৰু জোৱায়েক এই সকলোকে জয়ন্তা দলৈৰ অধীনত থৈ প্ৰভু তীৰ্থলৈ গ'ল। প্ৰথমে গঙ্গাত গৈ পিণ্ডাদি দিলে তাৰ পাছত একে একে সেতু-বন্ধ ৰামেশ্বৰকে আদি কৰি ভাৰতবৰ্ষৰ সকলো তীৰ্থ বাৰ বছৰ মানে ফুৰি ঘৰলৈ উলটি আহিল। তাৰ্থৰ পৰা উলটি আহি, কিন্তু সদাচাৰ ধৰি শঙ্কৰদেৱ গাঙ্গমৌত আছে। এনেতে কোচবিহাৰত বিশ্বসিংহ ৰজা উপজি আহোম নাচ লোক লগত লই ভূঞাসকলক মাৰি ৰাজ্য লবলৈ খাজা গম পাই প্ৰভু গাঙ্গমৌৰ পৰা ব্ৰহ্মপুত্ৰেদি নামেৰে উজাই ধুৱাহাটালৈ আহিল এই ধুৱাহাটাতে প্ৰভুৰ মহাপুৰুষ মাধৱদেৱৰ সৈতে মিলন হ'ল। মোৰ শাক্ত পন্থৰ মহা পণ্ডিত মাধৱদেৱে প্ৰভু শঙ্কৰদেৱৰ বাদানুবাদত পৰাস্ত হৈ শঙ্কৰৰ শিষ্য হ'ল। মনস্বী তেজস্বী মহাপুৰুষ মাধৱদেৱক পাই প্ৰভুৰ বল বাঢ়িল। প্ৰভুৱে বিষয়ৰ কামা মন্তুৰ জোৱাঁইৰ হাতত দি কৃষ্ণনাম আৰু বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰত লাগি গ'ল। কিন্তু ইয়াতো প্ৰভুক অপদে নেৰিলে। বৈষ্ণৱ ধৰ্ম্মটো নতুন আৰু স্বাৰ্থৰ বিৰোধী যেন দেখি সেই সময়ৰ ভূঞাহঁতৰ

কেতবিলাক ব্ৰাহ্মণে প্ৰভুৰ বিদ্বেষী হৈ, প্ৰভুৱে যি চাইটা ভকত কৰিছিল সেইসকলৰ হাতৰ মালা কাঢ়ি লৈ কুকুৰৰ নেজত পিন্ধাই দি ভকতৰ আগত প্ৰভুক গালি-শপনি পাৰিব ধৰিলে ভকতসকলে তত নাপাই প্ৰভুক আহি জনালে :—

"আনো আনো সবে আলোচনা কৰি
আগে গৈলা শঙ্কৰৰ
নমস্কাৰ কৰি সবে ভক্ত গনে
কৰিবৈ লৈলা গোচৰ।
নামকো নামানে আপোনাক প্ৰতি
কৰে অতি তিৰস্কাৰ।
কুকুৰৰ কান্ধে মালক আৰয
কি কৈবো কথা বিস্তৰ"

(দ্বিজ ৰামানন্দ কৃঃ চৰিত)

সেই সময়ত সেইবিলাক ঠাইত প্ৰভু আৰু ভকতসকলেই এক প্ৰকাৰ ৰজা আছিল। প্ৰভু শঙ্কৰদেৱ সাধাৰণ পুৰুষ হোৱা হলে যি সকল ব্ৰাহ্মণে যথা "বাসনা আচাৰ্য্য, শ্ৰীধৰভট্টাচাৰ্য্য দড়িয়া আচাৰ্য্য, ব্ৰহ্মানন্দ ভট্টাচাৰ্য্য' এই কেই জনক শাস্তি কৰিলে হেতেন ; কিন্তু পৃথিবীৰ আন আন অৱতাৰী পুৰুষসকলৰ দৰে মহন্তৰ অৱতাৰী পুৰুষৰ ক্ষমাইহে ভূষণ এই কথা জানি আৰু কাঠক কাঠে ঘঁহিলে যে জুই জ্বলাই, অৰ্থাৎ হিংসাক

হিংসাৰে দমাবলৈ চালে যে হিংসাদ্বেষ বাঢ়িহে যায়, অথবা হিংসাক ক্ষমাহেহে দমাব পাৰ এই কথা জানি প্ৰভুৱে এই ব্ৰাহ্মণ সকলক এখন সভাপাতি মতাই আনি তেওঁলোকৰ মুখতে তেওঁ বিলাকক যেই ঘাটি খুৱালে সেই ব্ৰহ্মানন্দই উক্তি কৰলৈ বাধ্য হল:—

কলিৰ যুগত নাম বিনে আৰ
কৰ্ম্মে নাহি অধিকাৰ
শঙ্কৰদেবৰ এহিসে মাত
সৰ্ব্বলোক শুনিযোক। ইত্যাদি ইত্যাদি—

এই বিষয়ে দ্বিজ ৰমানন্দ কৃত চৰিত্ৰ পঢ়িলে সকলো তথা সুন্দৰৰূপে জানিব। সবতকৈ উৰ্দ্ধৃত কৰি মই অভিভাষণ টো নবঢালোঁ। পিছত এই ব্ৰাহ্মণসকলেই প্ৰভু শঙ্কৰদেৱৰ পন্থলৈ প্ৰভুক নাম-ধৰ্ম্ম প্ৰচাৰ কৰাত সহায় হৈ পৰিল।

ইয়াৰ পিছতো প্ৰভুক বিপদ আপদে নেৰিলে। লগনীয়া লোকে গৈ আহোম ৰজাত গোচৰ দিলে যে শঙ্কৰ দেৱে ধৰ্ম্ম নষ্ট কৰিলে আৰু ভকতসকলে অসম ৰাজ্য কাটি লব খুজিছে। লগনীয়াৰ কথাকে বিশ্বাস কৰি সেই সময়ৰ আহোম ৰজাই ভকতসকলক নষ্ট কৰিবৰ অভিপ্ৰায়ে সন্দিকৈক হাতী ধৰিবলৈ পঠালে। সন্দিকৈয়ে বাৰ ভকতকো লগতে সাঙুৰী লৈ হাতী বেঢ়িবলৈ দি আদেশ কৰিলে যে

PLEASE HANDLE THE BOOK CAREFULLY

যাৰ পিনেদিয়েই হাতী পলাই যায় সেই সকলৰ ৰাজ আজ্ঞা মতে শাস্তি হব। দৈবাৎ ভূঞাসকলৰ ফালেই হাতী পলাই গ'ল। এই দোষতেই সন্দিকৈয়ে ভূঞাসকলক ধৰি-বান্ধি নিবলৈ দূতসকলক আদেশ দিলে আনবিলাক ভূঞা পলাল। মনুৰ জোৱাঁয়েক আৰু মাধৱদেৱকে সকলোৱে মূল বুলি জানি সন্দিকৈৰ চাওদাঙ্গে তেওঁলোকক ককালত জৰি লগাই গড়গাৱঁলৈ লৈ গ'ল আৰু তাত ৰজাক ভেটাৰ আগেয়ে বন্দী শালত নি উভয়কে থলে। সেই বন্দিশালত বন্ধনত থাকিও ৺মাধৱদেৱৰ উৎসাহ বাক্যত হৰি জোৱাঁয়েও নাম ললে আৰু উভয়কে যেতিয়া নি ৰজাৰ আগত ভেটিলে তেতিয়া ৰজাই প্ৰশ্ন কৰাই ৺মাধৱদেৱ অবিবাহিত, উদাসী বৰাগী বুলি জানি এৰি দিলে। মনুৰ জোৱাঁই শৰিক কটাই পেলালে। মাধৱদেৱে উলটি আহি প্ৰভুক জান দিলে প্ৰভুৱে মনৰ বেজাৰতে আহোম ৰাজ্য এৰি সেই কালত কোচবিহাৰৰ বিশ্বসিংহ ৰজাৰ অধীনত থকা কামৰূপ ৰাজ্যৰ বৰপেটাত গৈ সপৰিবাৰে থিতাপি ললে।

এই বৰপেটাতে ভৱানন্দ ঠাকুৰ নামে এজন প্ৰখ্যাত ধনি সদাগৰ প্ৰভুৰ শিষ্য হল। প্ৰভু ৺দামোদৰদেৱো হৰিদেৱ ইত্যাদি সমস্ত গৈ প্ৰভুৰ লগ লাগিল। প্ৰভুৱে তাতো নামধৰ্ম্ম প্ৰচাৰ কৰাত লাগি গ'ল, গোটেই বৰপেটা অঞ্চলেই হৰিৰ নাম কীৰ্ত্তনত মুখৰিত হ'ল কিন্তু ইযাতো প্ৰভুৱে চিৰস্থায়ী শান্তি নাপালে। কোনো ২ ব্ৰাহ্মণে, কোচৰ ৰজা

নৰনাৰায়ণক গৈ লগালে যে শঙ্কৰদেৱে সনাতন হিন্দু ধৰ্ম্ম নাশ কৰিলে। এই কথা শুনি ধৰ্ম্মপ্ৰাণ নৰনাৰায়ণ ৰজাই দূত পঠাই প্ৰভুক নিয়ালে, কিন্তু ৰজাই শঙ্কৰদেৱৰ তেজ দেখি কম্বল পাৰি প্ৰভুক বহুৱালে, তাৰ পিছত ব্ৰাহ্মণ সকলৰ লৈতে বাদানুবাদ কৰিবলৈ প্ৰভুক লগাই দিলে। শঙ্কৰদেৱে বাদত ব্ৰাহ্মণ সকলক আগলৈ মুখ দাঙ্গিব নোৱাৰাকৈ পৰাস্ত কৰিলে। নৰনাৰায়ণ ৰজা পৰম প্ৰীতি হৈ শঙ্কৰদেৱক সেই খণ্ড অৰ্থাৎ বৰপেটা বৰনগৰ খণ্ডৰ গোমোস্টাৰ ৰাব দিলে। কিন্তু প্ৰভুৱে গোমোস্টাৰ ৰাব ৰাখিও, চলায়ো ধৰ্ম্ম চৰ্চ্চা কৰাত বিৰত নহল।

ইয়াৰ পিছত প্ৰভুৱে আকৌ তীৰ্থ কৰিবলৈ গ'ল। নানা তীৰ্থ ফুৰি নানা সৎসঙ্গ কৰি উলটি আহি তেখেতৰ আচাৰ্য্য সকলক ঠায়ে ঠায়ে সত্ৰ পাতিবলৈ দিলে। ইয়াৰ পিছত প্ৰভুৰ ভাতৃ ৰামৰায়ৰ দুহিতা ভুবনেশ্বৰী আইক চিলাৰায় বা শুক্লধ্বজ নৰবৰত বিয়া দিলে। পিছত ভুবনেশ্বৰী আইৰ মুখে শঙ্কৰৰ গুণ-গৰিমা শুনি শুক্লধ্বজে প্ৰভুক নিয়ালে আৰু কৃষ্ণৰ ৰূপ-গুণৰ বৰ্ণনা প্ৰভুৰ মুখে শুনি শুক্লধ্বজ দেৱান প্ৰভুৰ শিষ্য শৰণীয়া হ'ল। পিছত প্ৰভু বৰপেটালৈ আকৌ উলটি আহি নৰনাৰায়ণ ৰজাৰ নিমিত্তে বৰ ডাঙ্গৰ বৃন্দাবনীয়া কাপোৰ এখন কৰাই ৰজালৈ পঠিয়ালে। ৰজাই ইয়াৰ পিছত আকৌ প্ৰভুক কোচবিহাৰলৈ নিয়ালে। তাত সেইবেলি এজন বেদান্তি

সন্ন্যাসীৰ লগত আৰু এজন পশ্চিমীয়া পণ্ডিতৰ লগত বাদানুবাদত প্ৰভু জিকাত নৰনাৰায়ণ ৰজা শঙ্কৰদেৱৰ শিষ্য হবলৈ বিচাৰিছিল, পিচত ৰজাক শৰণ দিবলৈ নৌ পাওঁতেই প্ৰভুৱে কোচবিহাৰতে ১৪৯০ শকত, ১১৯ বছৰ বয়সত নৰলীলা সামৰি বৈকুণ্ঠী হ'ল।

এয়ে প্ৰভু শঙ্কৰদেৱৰ অতি সংক্ষেপ জীৱন-চৰিত। আমি এই জীৱন-চৰিতত ধৰ্ম্মৰ তত্ত্ব, নীতিৰ তত্ত্ব, ইত্যাদি অতি অমূল্য অমূল্য উপদেশ পোৱাৰ লগে লগে এইটোও পাওঁ যে প্ৰভু শঙ্কৰদেৱৰ জীৱন আন আন অৱতাৰী মহাপুৰুষসকলৰ দৰে দুঃখময় আছিল। ভাবি চাওক, ধৰ্ম্মৰ নিমিত্তে, পাপীক উদ্ধাৰ কৰাৰ উদ্দেশ্যে যীশু কচত মৰিছিল, মহম্মদে নানা লাঞ্ছনা ভুগিছিল। তেখেতেও একে ঠাইতে থিৰেৰে থাকিব নোৱাৰিছিল। বুদ্ধদেৱ ৰজাৰ লৰা হৈও ভিখাৰীৰ বেশ লৈছিল। প্ৰভু চৈতন্যদেৱে যুৱতী ভাৰ্য্যা, বৃদ্ধা বিধবা মাতৃক এৰিথৈ কৃষ্ণনাম গাই, বজাই, নৃত্য কৰি বিদেশত ফুৰিছিল। আমাৰ প্ৰভু শঙ্কৰদেৱেও সেইদৰে ব্ৰাহ্মণৰ বিদ্বেষ, কচাৰীৰ উৎপাত, আহোম ৰজাৰ বিৰাগৰ ভাজন হৈ একে ঠাইতে থিৰেৰেটো ৰব নোৱাৰিছিলেই সকতে মাতৃহীন হৈছিল, পত্নী হেৰুৱাইছিলই, জোৱাঁইৰ বধ দেখিব আৰু সহিব লগা হৈছিল। ইমানবিলাক আপদ-বিপদৰ মাজতো প্ৰভুৱে কৃষ্ণৰূপ চিন্তিবলৈ, কৃষ্ণনাম লবলৈ, নাম

অমৃতৰ ভাণ্ড দুখী, সুখী, শোকী, তাপিক বিলাবলৈ এৰা নাছিল।

মহাপুৰুষসকলে যে হিংসুককো ক্ষমা কৰে এইটো নীতিও আমাৰ প্ৰভুৰ গাত আছিল। আমি জানো যেতিয়া যীশুক ক্ৰুচত মাৰিবলৈ ধৰে তেতিয়া যীশুৱে কৈছিল। "হে পিতা পৰমেশ্বৰ ! এই বেচেৰাইতে নেজানে ইহঁতে কি পাপ কৰিবলৈ ওলাইছে। প্ৰভু পিতা ! তুমি ইহঁতৰ দোষ নলবা, ইহঁতক ক্ষমা কৰিবা।" বুদ্ধদেৱেও সেইদৰে তেওঁৰ নিন্দুকসকলক, পাপীসকলক ক্ষমা কৰিছিল। তেওঁৰ ধৰ্ম্ম টোৱেই আছিল "অহিংসা পৰমো ধৰ্ম্ম, জীৱ মাত্ৰকে হত্যা কৰিব নাপায়।" মহাপুৰুষ মহম্মদৰ বিষয়ে এটা ঘটনা আছে যে এদিন তেওঁক বধ কৰিবলৈ হাতত যাঠি লৈ যোৱা এজন শত্ৰু মহম্মদৰ ওচৰ পোৱা মাত্ৰেই, মহম্মদৰ তেজে ধৰাত তাৰ হাতৰ পৰা যাঠি পৰি গ'ল। মহম্মদে হতালিকে সেই যাঠি তুলি লৈ তাক সুধিলে এতিয়া তোক কোনে ৰক্ষা কৰে ক'। বিপদত মহাপুৰুষ মহম্মদৰ কৃপাত তাৰ মুখত ওলাল "আল্লা হু আকবৰ" অৰ্থাত সেই মহান ঈশ্বৰে মোক ৰক্ষা কৰিব। "আল্লা হু আকবৰ" মুখৰ পৰা ওলোৱাৰ পিচতেই সেই শত্ৰুজন মহম্মদৰ চৰণত পৰি গ'ল। তেতিয়াৰ পৰা সেইজন মহম্মদৰ প্ৰধান শিষ্য, ইছলামৰ এজন প্ৰধান সেৱক হৈ পৰিছিল। বঙ্গদেশত চৈতন্য মহাপ্ৰভুৱেও জগাই মাধাইৰ নিচিনা দুৰ্ব্বৃত্তক ক্ষমা ধৰ্ম্মেৰেই

বশ কৰি তুইকো নাম ধৰ্ম্ম দি উদ্ধাৰ কৰিছিল। আমাৰ প্ৰভু শঙ্কৰদেৱেও আজন্ম কাল ব্ৰাহ্মণৰ পৰা উৎপীৰণ পায়ো কোনো দিন কোনো ব্ৰাহ্মণৰ যে অপকাৰ কৰা নাছিলেই বৰং কোনো কালেই কোনো ব্ৰাহ্মণক টান কথা বা কটু উক্তি কৰা নাছিল। আহোম ৰজাকো প্ৰভুৱে পিছতো কোনো দিন কোনো ৰকমেই বেয়া বোলা নাছিল। ধন্য প্ৰভুৰ সহন গুণ।

তাহানিখন শিলচৰত কৰ্ম্ম কালত এদিন বুৰঞ্জীৰ বিষয়ে সেই সময়ৰ বুৰঞ্জীৰ বিখ্যাত প্ৰফেছাৰ, এতিয়া ষ্টেটচ্‌মেন কাকতৰ সাই সম্পাদক ৱৰ্ডচৱৰ্থ (Words Worth) ছাহাবে History as a Science বুলি বক্তৃতা দিওঁতে কৈছিল যে ইউৰোপৰ বৰ্ত্তমান সভ্যতাৰ গুৰিত যদিও Greek আৰু Roman civilization অলপ পৰিমাণে আছে তথাপি ইওৰোপৰ উন্নতিৰ মূলত সাইকৈ খৃষ্ট ধৰ্ম্মহে। খৃষ্ট ধৰ্ম্ম প্ৰচাৰৰ নিমিত্তে ঠায়ে ঠায়ে মঠ, সত্ৰ থাপিত হৈছিল আৰু সেই মঠ আৰু সত্ৰ বিলাকৰ পৰা ইউৰোপীয় ভাষা, সাহিত্য, শিল্প, কলাবিদ্যা ইত্যাদি সকলো বিলাকেই উন্নতি লাভ কৰিছিল। বৌদ্ধ ধৰ্ম্মতো সেই দৰে মঠ, মন্দিৰ, বিহাৰ থাপিত হোৱাৰ লগে লগে সেই কালত ভাৰতবৰ্ষই সকলো বিষয়ে উন্নতি লাভ কৰিছিল, ভাৰত জগতৰ ভিতৰত শ্ৰেষ্ঠ হৈছিল ৰোগীৰ চিকিৎসা, আতুৰৰ সেৱা, পান্থ শালা, বিহাৰ, ছত্ৰ, ভাৰতীয় ভাষা কলা, শিল্প ইত্যাদি সকলো বিধেই উৎকৰ্ষ লাভ

কৰিছিল। ভাৰতীয় বৌদ্ধ ভিক্ষুসকলে প্ৰায় গোটেই পৃথিবীতে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰিছিল। ভাৰতীয় বৌদ্ধ ধৰ্ম্ম, ভাৰতিয় সভ্যতা, লঙ্কা, চিন, বৰ্ম্মা, জাপান, পেলেষ্টাইন, মধ্য এচিয়া, আনকি ৰুচ ছাইবেৰীয়া ইত্যাদিতো ব্যাপি পৰিছিল। মছলেম ধৰ্ম্মতো দেখিবলৈ পাও যে মৰুভূমি আৰবত চেৰেকেনত, পেলেষ্টাইনত, ছিৰিয়া, এচিৰিয়া ইত্যাদি ঠাইত যেতিয়া মছলেম ধৰ্ম্ম স্থাপিত হৈছিল তেতিয়াৰে পৰা মহম্মদীয়ানসকলে ধৰ্ম্মৰ বলত পৃথিবী বিজয়ী বীৰ হৈ সিফালে ইউৰোপৰ স্পেন, ফ্ৰান্স, আফ্ৰিকাৰ ইজিপ্ত, চুদান, ইফালে মধ্য এচিয়া, চীন, ভাৰতবৰ্ষ ইত্যাদিত মছলেম সভ্যতা, কৃষ্টি, মছলেম ভেষজ প্ৰচাৰ কৰিছিল। এই মছলেম ধন্বন্তৰীসকলৰ ওচৰত, মছলেম বিজ্ঞানৰ ওচৰতো ইউৰোপ অনেক পৰিমাণে ধৰুৱা। বঙ্গদেশৰ যিটো সভ্যতা, যিটো উন্নতি সেইটো পোন প্ৰথমে মহাপ্ৰভু চৈতন্যৰ দান আৰু বৰ্ত্তমানে যিতো উন্নতি সেইটোৰ মূলত বিজ্ঞান, বিদ্যা, শিল্প ইত্যাদি থাকিলেও ৰামকৃষ্ণ পৰমহংসৰ ধৰ্ম্ম আৰু স্বামী বিবেকানন্দৰ ধৰ্ম্মৰ দানো কম নহয়।

প্ৰভু শঙ্কৰদেৱে ধৰ্ম্ম বস্তুৰ আৰু কৃষ্ণনামৰ অমৃতৰ ভাণ্ডৰ পৰা সোৱাদ পাই এই কৃষ্ণনামামৃত ৰস সুখী-দুখী, তৃষ্ণাতুৰ, শোকাতুৰ সকলো মানৱকে দান কৰাটো ধৰ্ম্মৰ প্ৰধান অঙ্গ ভাবি, আৰু নৰ যে নাৰায়ণ স্বৰূপ এইটো জানি লগে লগে মানুহ বোলা জীৱটোক মহা সত্য বস্তু বুলি

বুজি আৰু এই মনুষ্য শৰীৰ যে এটা মঠ যাৰ ভিতৰত কৃষ্ণ বা কৃষ্ণৰ অংশ সোমাই থাকে, আৰু এই মঠক আচাৰ ৰীতি, নীতি, ধৰ্ম্ম বস্তুৰে সদায় চাফ চিকুন কৈ ৰাখিব লাগে এইটো বিশেষকৈ উপলব্ধি কৰি, প্ৰভুৱে এই নামামৃত সকলোকে বিলাই দিবলৈ চেষ্টা কৰিছিল আৰু দিছিল।

"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে,
প্ৰেম অমৃতৰ নদী।
দয়ালু শঙ্কৰে ভাণ্ড ভাঙ্গি দিলে,
বহে ব্ৰহ্মাণ্ডক ভেদি॥"

নিজৰ সুবিধাৰ অৰ্থে, স্বাৰ্থৰ অৰ্থে স্বাৰ্থপৰ সকলে নিজে পোৱা ঈশ্বৰৰ প্ৰেমটো গোপনীয় কৰি ৰাখে, কিন্তু মহাপুৰুষ সকলে সেই হৰিনাম ৰস মুকলিকাই সৰ্ব্ব সাধাৰণক বিলাই দিয়ে।

নাম ঘোষাত আছে:--

হৰিনাম প্ৰেমৰস অমৃতৰ নিধিক বান্ধি
গুপ্ত কৰি থৈলা দেৱগণে
দয়ালু শঙ্কৰে পাই তুলি মুদ ভাঙ্গি দিলা
সুখে পান কৰা সৰ্ব্ব জনে॥
হৰিনাম গুপ্ত ভৈল মনুষ্যত পূজা বৈল

বুলি ৰঙ্গ কৰে দেৱ সৰ্ব্ব
হেন হৰিনাম ধৰ্ম্ম শঙ্কৰে বিদিত কৰি
চূৰ্ণ কেলা দেৱতাৰ গৰ্ব্ব ॥

সেই সময়ত ঘোৰ তামসত পৰি থকা অৰ্থাৎ জলশাই থলশাই ইত্যাদি নানা নিকৃষ্ট দেৱতা পূজক, ব্যভিচাৰত প্ৰৱৰ্ত্ত অসমীয়া সমাজত হৰিনাম বিদিত কৰিবলৈ প্ৰভুৱে কেইটামান উপায় অৱলম্বন কৰিব লগা হৈছিল। সেই উপায় বিলাক এই:-

১। ঠায়ে ঠায়ে সত্ৰ পতাই নামঘৰ সজাইছিল যাতে সকলো হিন্দুৱে লগ লাগি ঈশ্বৰৰ নাম গুণ লব পাৰে গাব বজাব পাৰে। ঘৰ সাজোঁতে সেই ঘৰত ধুনীয়া ফুলনাম চৌতি, বেৰা, খুটা ইত্যাদি লগাবলৈ কাঠৰ কামৰ, সুতাৰৰ কামৰ মিস্ত্ৰী কামৰ, ঘৰামিৰ কামৰ, হিঙ্গুল হাইতাল ৰঙণসনা কামৰ বাহ বেতৰ কামৰ ইত্যাদি শিল্পৰ ভালেমান উন্নতি হৈছিল। অনেক ঠাইত কোনো কোনো নাম ঘৰৰ খুটাবিলাক দেৱতাৰ মূৰ্ত্তিৰে, মনুষ্যৰ মূৰ্ত্তিৰে কটা আছিল। বেৰবিলাকত সুন্দৰ চিত্ৰ আছিল এই বিলাক দেখিয়েই অসমলৈ সেনাৰ লগত অহা মুছলমান লিখক দুই এজনে লিখি থৈ গৈছে, যে অসমৰ ডাঙৰ ২ নাম ঘৰবিলাকক মানুহে মূৰত লৈ ঠিয় হৈ আছে। নামঘৰত ভকতসকলে একেথুপ হৈ নাম গোৱাৰ পৰা পৰস্পৰৰ ভিতৰত এটা স্নেহৰ, ভক্তিৰ বান্ধনি হৈছিল

আৰু এটা ভাতৃ ভাব উপজিছিল। নামত খোল, তাল, নাগেৰা, মৃদঙ্গ ইত্যাদি ব্যৱহাৰ থকাৰ কাৰণে একালে যেনেকৈ সঙ্গীতৰ অৰ্থাৎ গীত-ৰাগ পদৰ উৎকৰ্ষ হৈছিল তেনেকৈ এইবিলাক বস্তু তৈয়াৰ কৰা এটা শিল্প বিদ্যায়েও অসমীয়াক লগ ধৰিছিল। এই বিলাক প্ৰভুৰ দান কম নহয় ভাবি চাওক।

২। প্ৰভুৱে বুজিছিল যে চিন পট ইত্যাদিয়েও ধৰ্ম্ম প্ৰচাৰত সহাই কৰে, সেই হেতু প্ৰভুৱে প্ৰথম বাৰ তীৰ্থলৈ যোৱাৰ আগতেই (ৰামচৰণ ঠাকুৰৰ মতে) বৈকুণ্ঠৰ পট এখন আঁকি চিন যাত্ৰা কৰি ভূঞাসকলক দেখুৱাইছিল, আৰু বৰপেটাত তাঁতি সকলৰ হতুৱাই এখন বৰ ডাঙৰ বৃন্দাবানী কাপোৰ বোৱাই তাত বৈকুণ্ঠৰ ছবি আঁকি সেই কাপোৰ নৰনাৰায়ণ ৰজাক দি নৰনাৰায়ণ ৰজাৰ মৰমৰ আৰু ভক্তিৰ ভাজন হৈছিল। দেখক কি এটা সুন্দৰ শিল্পৰ সূচনা দি গৈছিল। দুখৰ বিষয় আজিকালিৰ অসমীয়া শিপিনীসকলে এনেকুৱা বৃন্দাবনীয়া কাপোৰ নবয়। বিদেশৰ পৰাহে নামাৱলী কিনি কোনো ২ ব্ৰাহ্মণ বৈষ্ণৱে গাত লয়।

৩। প্ৰভুৱে বুজিছিল যে কৃষ্ণৰ লীলাবিলাক জীৱন্ত জাগ্ৰত কৰি দেখুৱালে সৰ্ব্বসাধাৰণৰ মাজত কৃষ্ণপ্ৰেম ওপজে, এই অৰ্থে শাস্ত্ৰৰ পৰা অঙ্কীয়া নাট অসমীয়া গহীন অথচ সুমধুৰ ব্ৰজাৱলী ভাষাত ৰচি সেই নাটৰ অভিনয় কৰাইছিল। নাটৰ ৰচনাৰ দ্বাৰা অসমীয়া সাহিত্যৰ এটা উন্নতি হৈছিল আৰু নৃত্য-গীত, পদ ৰাগ, খোলৰ-তালৰ

বাদ্যই সঙ্গীত বিদ্যাৰ ভুখ উৎকৰ্ষ কৰি দিছিল আনকি প্ৰভুৱেই অসমীয়া জাতিটোক গীত, ৰাগ, পদ, ভাষা, সাহিত্য ভাৱ, সকলো দি গল, অসমীয়া জাতিটোক সঙ্গীত প্ৰিয় কৰি থৈ গ'ল

৪। ধৰ্ম্ম প্ৰচাৰৰ অৰ্থে প্ৰভুৱে নিজেও আৰু তেখেতৰ শিষ্য সকলৰ দ্বাৰাই হিন্দুৰ সমস্ত শাস্ত্ৰকে কঠিন সংস্কৃতৰ পৰা সহজ সুৰুৱা অসমীয়া পদলৈ আৰু গদ্যলৈ ভাঙি কি যে অতুল সাহিত্য আজি অসমীয়াক দি গৈছে তাক মই লিখি বা কৈ ওৰ পেলাব নোৱাৰো। গীতা, ভাগৱত, ৰামায়ণ মহাভাৰত, প্ৰায় সমস্ত পুৰাণ সকলোবিলাকৰে অসমীয়া ভাঙনি দি থৈ অসমীয়াক এটা বিপুল সাহিত্য সম্পদ দি গ'ল। ভাৰতৰ কোনো দেশেই, কোনো জাতিয়েই তেওঁবিলাকৰ মহাপুৰুষসকলৰ পৰা ইমান সাহিত্য সম্পদ পাইছে বুলি মই কব নোৱাৰো। প্ৰভুৰ, মাধৱদেৱৰ অনন্ত কন্দলিৰ, ভট্টদেৱাদিৰ কি যে পাণ্ডিত্য আছিল, তি- ন সংস্কৃত আৰু নিজ মাতৃভাষাত অধিকাৰ আছিল, কি যে কবিত্ব শক্তি আছিল, ভাবিচালে এই নিঃকিন নগোৰ তভ। নাম-ঘোষা মেলি চাওক কঠিন সংস্কৃতৰ শ্লোকবিলাকক কেনে শুৱলা অথচ সহজ ভাষাত লিখি গৈছে। যেনে চাওক:

"নাজানোহো আবাহন, নাজানোহো বিসৰ্জ্জন"

(ইত্যাদি ঘোষা)

মূল সংস্কৃত—"আবাহনং নজানামি নজানামি বিসর্জ্জনং" —এনেকুৱা শ্লোকৰ পৰা পোন-পটীয়াকৈ, অথচ ছন্দবন্ধ ঠিক ৰাখি মধুৰৰো সুমধুৰ অসমীয়া ভাষাত লিখিছে। হাজাৰৰ ভিতৰত এই এটা মাথোন দৃষ্টান্ত দিলোঁ। বুজক ইয়াতেই পাণ্ডিত্য, কবিত্ব, প্ৰগাঢ় ঈশ্বৰ ভক্তি কেনেকৈ প্ৰকাশ পাইছে।

সাৰশেহত এই নিঃকিনে দেখুৱাওঁ প্ৰভু শঙ্কৰদেৱে দি যোৱা বৈষ্ণৱ ধৰ্ম্মটো কেনেকুৱা মহান, কেনেকুৱা সুন্দৰ!

প্ৰভু শঙ্কৰদেৱে ঈশ্বৰক, সেই সচ্চিদানন্দ পৰম ব্ৰহ্মক, কৃষ্ণ নামেৰে অভিহিত কৰি সেই নামতে নিজৰ জীৱন উছৰ্গা কৰিছিল। হিন্দুধৰ্ম্মৰ বাহিৰৰ সকলে এই কৃষ্ণ নাম শুনিলেই, কৃষ্ণ নামত লম্পটালি, ৰাসলীলা, গোপীৰ বস্ত্ৰহৰণ ইত্যাদি আসোঁৱাহ থকা আখ্যান শুনি, নাক কোচায়। এনেকি অনেক ঘুপৰ-চকুৱা, অলপ-ধতুৰা পাশ্চাত্য শিক্ষাত শিক্ষিত হিন্দু সন্তানেও কয়, ভাৰতৰ যত অনিষ্ট হৈছে মানে সেই "বেটা" কৃষ্ণৰ পৰাই। সুখৰ বিষয় যে আজিকালি পশ্চিম জগততো কৃষ্ণৰ জীৱনীটো যীশুৰ জীৱনীয়ে সৈতে মিলা যেন দেখি দুই এজনে কৃষ্ণ নামত যে কিবা এটা আছে এনেকুৱা কথা ভাবিবলৈ ধৰিছে। অনা-আধ্যাত্মিক কেজনমান পাদৰী ডাঙৰে কয় যে আমি হিন্দুৱে কেনো যীশুৰ জীৱনীটি জানি সেই জীৱনীকে ভেটী কৰি কৃষ্ণৰ জীৱনী গঢ় লিখিছোঁ। চীন দেশত বৌদ্ধ ধৰ্ম্মৰ কিছু ক্ৰিয়া-কলাপ খৃষ্ট ধৰ্ম্মৰ ক্ৰিয়া-কলাপে সৈতে মিলা যেন দেখি

এই নিচিনা পাদ্ৰী চাহাবকেইজনমানে কৈছিল যে বৌদ্ধ ধৰ্ম্মে এইবিলাক Rituals ক্ৰিয়াকলাপ devilএ চয়তানে Scripture quote অৰ্থাৎ ধৰ্ম্ম পুথিৰ মত উল্লেখ কৰাৰ দৰে খৃষ্ট ধৰ্ম্মৰ পৰা চুৰ কৰি লৈছে। এইবিলাক বিষয়ে মোৰ পৰম বন্ধু বৃদ্ধ দাৰ্শনিক আৰু কবি শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যদেৱে গত সংখ্যা "বাঁহী"ত কৰা প্ৰশ্নৰ উত্তৰস্বৰূপে কোনো এখন কাকতত এই বিষয়ে আলোচনা কৰিম বুলি ভাবিছোঁ। সম্প্ৰতি এইবিলাক কথা এৰি আপোনালোকক আমনি দিলোঁ। যেনে ভক্তিমান, তেনে শ্ৰদ্ধাযুক্ত তেনে যোগযুক্ত, সেইসকলে জানে কৃষ্ণনাম কি সুন্দৰ। কি মধুৰ। কি মহান। প্ৰভু শঙ্কৰদেৱে কৃষ্ণক লৌকিকত বসুদেৱ দৈৱকীনন্দন, নন্দ-যশোদাৰ পুত গোপ বালক বুলি কলেও পৰিচয়ত প্ৰকৃতে অন্তৰ আত্মা কৃষ্ণক সেই নিৰঞ্জন নিৰাকাৰ পৰমাত্মা বুলিহে লৈছিল

'তুমি সৰ্ব্বসাক্ষী আত্মা হৃষিকেশ জানা তুমি মোৰ চিত্তক।'

(নামঘোষা)

এই বাক্যে আৰু অনেক পদে ঘোষাই প্ৰমাণ কৰি দৈছে। কৃষ্ণনাম কেনে সুন্দৰ কেনে মধুৰ ভাবযুক্ত তাক নামঘোষাত কেনেকৈ বৰ্ণাইছে চাওক :—

কৃষ্ ভেন শব্দ ইটো পৃথিবী বাচক ভৈল
ণ আনন্দত প্ৰবৰ্ত্তয়।

দুইৰ এক পদ হৈভল ˙ পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক নাদ কয় ॥
ঈশ্বৰৰ পদসেৱা কৰন্তে জীৱৰ যত
কৃষতা গুচয় নিৰন্তৰ।
এতি হেতুহেসে জানা ঈশ্বৰক বুলি কৃষ্ণ
প্ৰসিদ্ধ আগ্বয় মনোহৰ ॥
নিৰন্তৰে নিত্যানন্দ সুখ পৰিপূৰ্ণৰূপ
অখণ্ড আনন্দ সুগুচয়।
এতেকেসে সদানন্দ নিত্যানন্দ নাম ইটো
ঈশ্বৰক বুলিয় নিশ্চয় ॥

গীতা ১৩শ অধ্যায়ঃ--

"ইদং শৰীৰং কৌন্তেয় ক্ষেত্ৰমিত্যাভিধীয়তে"

আমাৰ এই শৰীৰৰো ভিতৰত থকা মনটোকো পৃথিৱী বা ক্ষেত্ৰ বুলিছে, গীতাৰ ১৩শ অধ্যায়ত। এই ক্ষেত্ৰত থকা মনটোক ঈশ্বৰৰ নামে কৰ্ষণ কৰি ঈশ্বৰমুখী কৰিব পাৰিলে এটা আনন্দ ওপজে যি আনন্দৰ সমান আন কোনো আনন্দই নহয়। আনন্দ হলে কৃষ অৰ্থাৎ দুৰ্ব্বল মনৰ কৃষতা, দুৰ্ব্বলতা গুচে; মন সবল হলেই শৰীৰো সবল হয়। Mens sena corpori sena। ভাবি চাওক, প্ৰকৃত ঈশ্বৰবিশ্বাসীসকলৰ, ঈশ্বৰ ভক্তসকলৰ শৰীৰ সবল আৰু অনেকেই দীৰ্ঘায়ু লভে। আজিকালিৰ New Thought—

নতুন চিন্তাৰ ধাৰামতে মনেইহে প্ৰবল, মনেইহে শৰীৰকো গঢে।

এনেকুৱা অসংখ্য পদৰ পৰা এইটো নিশ্চয়কৈ জানিব পাৰি, প্ৰভু শঙ্কৰদেৱে ভগবন্ত পুৰুষক, সেই নিৰাকাৰ নিৰঞ্জনক কৃষ্ণ নাম দি সেই ভগৱন্ত পুৰুষত, শ্ৰৱণ, কীৰ্ত্তন, পাদসেৱন, অৰ্চ্চনা, বন্দনা, দাস্য, সখ্য, আত্মনিবেদন এই নববিধ ভক্তি আচৰিছিল। কিন্তু এই নৱবিধ ভক্তিৰ ভিতৰত প্ৰভুৱে পাদসেৱন আৰু দাস্যভাবৰ ভক্তিকে প্ৰাধান্য দি গৈছে সেই অনুসৰি অসমৰ সকলো পন্থৰে বৈষ্ণৱ সকলোবিলাকৰ ভিতৰত---অৱশ্যে চৈতন্য পন্থা সত্ৰৰ কথা কব নোৱাৰো - এই দাস্যভাবৰ ভক্তিহে আছে। কেতো বঙ্গদেশী চৈতন্য প্ৰভুৱে প্ৰবৰ্ত্তোৱা মধুৰ আৰু কান্ত ভাবৰ ভক্তি নাই বুলিলে অত্যুক্তি কৰা নহব।

ভগৱন্ত পুৰুষক আমাৰ হিন্দুসকলে সৎ চিৎ আনন্দময় বোলে। সৎ মানে এক ভগবন্তইহে নিত্য, সেইদেখি সৎ-বাকী সমস্তই অনিত্য অস্থায়ী—সেই কাৰণেই অসৎ। ডাঙৰ ডাঙৰ গছ, নদী, পৰ্ব্বত, পাহাৰ, সাগৰ এইবিলাকো যদিও বহুদিন থাকে তথাপি চিৰবহমান কাল একে ৰকম বা একে ঠাইতে নাথাকে, সেইদেখি এইবিলাকো অসৎ মৰণশীল, জীৱৰ কথা নকৰোঁৱেই ভগবন্ত চিৎ অৰ্থাৎ চৈতন্যযুক্ত তেওঁহে এই ২৪ তত্ত্বৰ শৰীৰত জীৱভূত অৰ্থাৎ চৈতন্য।

গীতাত কৈছে :—

"ভূমিৰাপোঽনল বায়ুঃখংমনোবুদ্ধিৰেবচ অহঙ্কাৰং ইতিয়ং মে ভিন্না প্ৰকৃতিৰপৰা। অপৰেয়মিতস্ত্বন্যাং প্ৰকৃতিং বিদ্ধি মে পৰাং জীৱভূতং মহাবাহো যয়েদং ধাৰ্য্যতে জগৎ।" চৈতন্যযুক্ত নাথাকিলে কি মানুহ, কি জীৱ-জন্তু, কি গছ লতা, তৰু-তৃণ জীয়াই নাথাকে—সকলোৱেই অসাৰ, জড়। ৺মাধৱদেৱে কৈছে :—

"চৈতন্য শক্তিৰ দ্বাৰে
ইটো জড় জগতক ৰমাৱন্ত কৰ্ম্ম অনুৰূপে।
এতেকেসে ঈশ্বৰৰ পৰম প্ৰসিদ্ধ ৰাম
নাম আৰু জানিবা স্বৰূপে॥"

ভগৱন্ত আনন্দ ময়ও। আনন্দতে জগতৰ সৃষ্টি, স্থিতি, বিকাশ। আনন্দৰ ওপৰতেহে আমি আৰু আন আন সকলো জীৱ-জন্তু জীয়াই আছে। আনন্দ থাকে মানে জীৱন। আনন্দহীন হলেই মৰণ। এই আনন্দ মানুহে নানাভাবে বিচাৰে; কেৱে পান, ভোজন, ৰমণত, কেৱে ধন-সোণ বিচৰাত, কেৱে প্ৰভুত্বত, কেৱে পাপ-কৰ্ম্মত, কেৱে কেৱেহে, বিশেষকৈ মহাপুৰুষ আৰু ভক্তসকলে ভগৱন্তৰ নাম-কীৰ্ত্তন, শ্ৰৱণ, স্মৰণ, অৰ্চ্চন ইত্যাদিত আনন্দ লভে। মুঠৰ ওপৰত, সকলোৱে নিজ নিজ প্ৰকৃতি অনুসাৰে আনন্দ বিচাৰে। আনন্দই জীৱন। আনন্দতে সংসাৰ সৃষ্ট হৈছে। আমাৰ হিন্দুৱে, বিশেষকৈ বৈষ্ণৱ-

পন্থৰ সকলে ৰাম বা কৃষ্ণ এই শব্দ শুনিলেই তৎক্ষণাৎ পৰমব্ৰহ্ম, পৰমাত্মাৰ এই সচ্চিদানন্দ গুণ স্মৰণ কৰে। যেনেকৈ 'আল্লা' বুলিলেই মছলেম ভ্ৰাতৃসকলে আল্লাহু আকবৰক ভাবে, 'গড' বুলিলেই খৃষ্টিয়ানসকলে God the Father, God the Son and God the Holy Ghost পিতৃ ঈশ্বৰক মনত কৰে, পুত্ৰ ঈশ্বৰৰ পবিত্ৰ ভূত মনত কৰে; যেনেকৈ যীশুৱে সৰু লৰা ছোৱালীক, আবালবৃদ্ধবনিতা, পাপী-তাপী, সুখী দুখী, সকলোকে ভাল পাইছিল সেইদৰে প্ৰভু কৃষ্ণও সকলোৰে প্ৰিয়। প্ৰভু কৃষ্ণ বসুদেৱ দৈৱকীৰ পুত্ৰ, নন্দ-যশোদাৰ নন্দন-চকুৰ মণি, বৃন্দাবনৰ গোপবালকসকলৰ খেলৰ লগৰীয়া বন্ধু, গোপীসকলৰ কান্ত, নয়নাভিৰাম, ৰাধাৰ বল্লভ, অৰ্জ্জুনৰ সখা, উদ্ধৱৰ প্ৰভু, অক্ৰূৰৰ ভাগিন, পাণ্ডৱ সকলৰ ভ্ৰাতৃ, আত্মাসকলৰ পৰমাত্মা, ভক্তসকলৰ ৰক্ষক। মুঠতে কবলৈ গলে, প্ৰভু কৃষ্ণ পৰম পুৰুষ, চৈতন্যময় পূৰ্ণব্ৰহ্ম ভগৱন্ত তেওঁ কৰুণাময়, গুণনিধি, ৰাধাপ্ৰেমবল্লভ শ্যাম, কামৰ্জিত তনু, প্ৰসন্নবদন, বংশীধৰ, মোহন নটবৰ।

এইবিলাক প্ৰত্যেক গুণৰে এনেকুৱা সুন্দৰ সুন্দৰ আধ্যাত্মিক আৰু লৌকিক ব্যাখ্যা আছে যে সেইবিলাক লিখি-বলৈ গলে এখন বৃহৎ পুথি হব। সেইদেখি এই প্ৰত্যেক গুণৰ ব্যাখ্যা নিদি, কেইটামান গুণৰ, যি কেইটা গুণক অলপধভ্ৰাসকলে নিন্দাও কৰিব পাৰে, তাৰে চমু ব্যাখ্যা

দিবলৈ ভুলালোঁ। ভুল-চুক হলে ৰাইজে যেন ক্ষমা কৰে।

কৃষ্ণক গোপীবল্লভ বুলিলেই যে তাত কিবা কামুকতা বা পাপ-ভাব থাকিব পাৰে এই কথা কোনো শুখ মনৰ মানুহে ভাবিব নোৱাৰে। ইয়াত গভীৰ অৰ্থ আছে এই যে গোপী মানে জীৱ; সৎ জীৱই সদায় পৰমাত্মাক, ঈশ্বৰক বিচাৰে; ঈশ্বৰেও সদায় জীৱক উদ্ধাৰ কৰিবলৈ মাতি আছে :— "হে ভক্ত! হে মোৰ সৃষ্ট জীৱ! তোমালোক আহাঁ মোৰ ওচৰলৈ, মোক ভাবাঁ, মোত শৰণ লোৱাঁ, মই তোমালোকক উদ্ধাৰ কৰিম।" গীতাত কৈছে, "মন্মনা ভৱ মদ্ভক্তো মদ্যাজীমাং নমস্কুৰু মামেবৈষ্যসি সত্যং প্ৰতিজানে প্ৰিয়োঽসিমে।" খৃষ্টিয়ান ধৰ্ম্মতো কৈছে, "এজন পবিত্ৰ আৰু ন্যায়বান ঈশ্বৰ আছে যি মানুহ মাত্ৰকে ভাল পায়; অকল ধাৰ্ম্মিক আৰু চৰিত্ৰবান মানুহকেহে যে ভাল পায় সেইটো নহয়। তেওঁ পাপী-তাপীকো ভাল পায়, তেওঁ পাপী তাপীৰো বন্ধু।" এই ভাবকে পূজ্যপাদ শ্ৰীযুক্ত ৰবীন্দ্ৰনাথ ঠাকুৰে তেওঁৰ "গীতাঞ্জলি"ত বৰ্ণনা কেনেকৈ কৰিছে চাওক -- (গীত নং ৭৪)

"আমার মিলন লাগি তুমি
আসছো কবে থেকে
তোমার চন্দ্র সূর্য্য তোমায়
রাখবে কোথায় ঢেকে।

কত কালের সকাল সাঁঝে
তোমার চরণ ধ্বনি বাজে;
গোপনে দূত হৃদয় মাঝে
গেছে আমায় ডেকে।
ওগো পথিক আজকে আমার
সকল পরাণ ব্যেপে
থেকে থেকে হরষ যেন
উঠছে কেঁপে কেঁপে।
যেন সময় এসেছে আজ
ফুরাল মোর যা ছিল কাজ;
বাতাস আসেছে মহারাজ
তোমাৰ গন্ধ মেখে।"

কৃষ্ণই তেওঁৰ শান্তিমধুৰ বাঁশী বজাই গোপীসকলক তেওঁৰ ওচৰলৈ মাতিছিল। কৃষ্ণৰ এই বাঁহীটো মহাকবি মিল্টনে কোৱাৰ দৰে এই বিশ্বব্ৰহ্মাণ্ডত Music of the Spheres স্বৰূপে সদায় বাজিবই লাগিছে। বতাহ বলে এটা সোঁ সোঁ শব্দ হয়। নিজৰা বলে কলু কলু ধ্বনি হয় নদীয়ে শব্দ এটা কৰি বয়, মেঘে গৰ্জ্জন কৰিহে উৰে, সাগৰে সদায় গৰ্জ্জন কৰিবই লাগিছে, জীৱ-জন্তু এই সকলোবোৰেই নিজ নিজ মাতেৰে মাতিবই লাগিছে। এই সমস্ত ধ্বনি গোটালে বিশ্বত এটা মহাধ্বনি সদায় লাগিয়েই আছে। সেই ধ্বনি, সেই মহাসঙ্গীত শুনিলে,

অৰ্জ্জুনে যেনেকৈ বিশ্বৰূপ দেখি থিৰেৰে থাকিব নোৱাৰিছিল, গোপীসকলেও, ভক্তসকলেও, ঈশ্বৰ-বিশ্বাসীসকলেও থিৰেৰে থাকিব নোৱাৰে; ইজনীয়ে সিজনীক অথবা ইজন ঈশ্বৰ-প্ৰেমিকে সিজনক সঙ্গীতৰ ভাষাৰেই কয়, "আইল ওই বাজায় বাঁশী প্ৰাণ কেমন কৰে; একলা এসে কদম তলায় দাঁড়িয়ে আছে আমাৰ তৰে।" বাঁহীৰ মাতত গোপিনীসকল কৃষ্ণৰ ওচৰ চাপি নৃত্য কৰিছিল, কৃষ্ণই ৰাসলীলা কৰিছিল। এই মহাৰস আবহমান কালৰে পৰা চলি আছে আৰু চলি থাকিবও। জীৱন কি? সৃষ্টি কি? প্ৰলয় কি? বৈজ্ঞানিকৰ মতে সমস্তয়ে এটা স্পন্দন, এটা গতি, এটা "নৰ্ত্তন" নহয়নে? সূৰ্য্যৰ চাৰিওপিনে পৃথিবী ঘূৰিব লাগিছে—নিজ গতিতো ঘূৰিছে--পৃথিবীক আকৌ চন্দ্ৰয়ো পৰিভ্ৰমণ কৰে, সেইদৰে বিশ্বৰ সকলো গ্ৰহ উপগ্ৰহ আদি ঘূৰিবই লাগিছে। পৃথিবীতো নদী-নলা, সাগৰ, গছ-লতা জীৱ-জন্তু কোনটো থিৰেৰে, আছে? জীয়াই থাকে মানে সকলোৰে এটা স্পন্দন আছে, শ্বাস-প্ৰশ্বাস আছে। এই আটাইবিলাকেই সেই "বিশ্ব-নৰ্ত্তকৰ" নৃত্য নহয়নে? প্ৰভু কৃষ্ণ ৰাধাবল্লভ। সামান্য তৰপৰ মানুহে, হিন্দুধৰ্ম্মবিদ্বেষীয়ে ভাবিব পাৰে "ৰাধাবল্লভ" মানে কৃষ্ণ এজন পৰস্ত্ৰীগমণকাৰী কামুক লম্পট হয়! নজনাইহে এই কথা কব। সেই সময়ত, বৃন্দাবনত গৰু চৰোৱা কালত মনুষ্য কৃষ্ণ ১৩।১৪ বছৰৰ ওপৰ বয়সীয়া মানুহ নাছিল; তেনেস্থলত তেনেকুৱা পোনপটীয়া অৰ্থ হবই

নোৱাৰে। "ৰাধা' শব্দৰ মূল অৰ্থ লৈ যদি যোৱা যায় তেন্তে পোৱা যায়—"আৰাধ্যতে' ইতি ৰাধা। অৰ্থাৎ যিটি ভক্তিয়ে পৰমব্ৰহ্ম প্ৰভুক বিচাৰে সেই ভক্তিটিয়েই; প্ৰত্যেক মানুহৰেই জীৱাত্মাটিয়েই ৰাধা। এই ৰাধাই = জীৱাত্মাই সদায় এই কৃষ্ণক = পৰমাত্মাক বিচাৰিবলৈ লাগিছে। যোগ মাৰ্গত এই ৰাধাই = অজপাস্বৰূপ দিনে-নিশাই "সোঽহং হংসঃ" অৰ্থাৎ "প্ৰভু মই তোমাৰেই, তোমাৰেই মই" এই স্তুতি উশাহ-নিশাহত জপিবলৈ লাগিছে। কোনো কোনো যোগীয়ে কুণ্ডলিনী শক্তি জগাই এই জীৱাত্মাটিক, অৰ্থাৎ Life-breath বা vitality টিক ষট্‌চক্ৰ ভেদন কৰাই মূৰৰ ওপৰলৈ – ব্ৰহ্মাণ্ডলৈ নিবলৈ শিকে আৰু এইদৰে জীৱাত্মাটিক মূৰত নি স্থাপন কৰিব পৰা হলেই তেনেকুৱা যোগী সমাধিস্থ হৈ জীয়াই জীয়াই অনেক কাল মাটিত পোত খাই, নদীৰ তলত, গুহা গহ্বৰত পৰি থাকিব পাৰে। এই জীউটি—vitality টি পৰমাত্মাত মিলিলেই অৰ্থাৎ মূৰত উঠি থাকিব পৰা হলেই বৈষ্ণৱীয় ভাবনাত ৰাধা কৃষ্ণৰ মিলন হয়। বেদান্তীসকলৰ সেই একে বৃক্ষত থকা সেই দুটি চৰাইৰ তলৰ ডালত থকাটিয়ে এপাপ এখোপ কৰি উঠি গৈ ওপৰৰ চৰাইটিৰ লগত একেলগে মিল খোৱা ভাবটি হয় "দ্বা সুপৰ্ণ সুযুজা" ইত্যাদি।

বিদেশীয়ে, হিন্দুধৰ্ম্ম বিদ্বেষীয়ে কৃষ্ণই গোপীৰ বস্ত্ৰহৰণ কৰা আখ্যানটি লৈয়ো কৃষ্ণক নিন্দা কৰে; কিন্তু ভাবি নাচায়

এই আখ্যানটোৰ গূঢ়াৰ্থ কি। ইয়াৰ গূঢ়াৰ্থ এই—গোপীসকলে পাৰত বস্ত্ৰ থৈ প্ৰেম-সমুদ্ৰত নামি গা ধুইছিল; পৰমাত্মাৰূপী কৃষ্ণই গোপীৰ কাপোৰবিলাক নি গছত তুলিলে। গোপীসকলে কাপোৰ বিচাৰি নাপাই এখন হাত মেলি কাপোৰ খুজিলে। প্ৰভুৱে কলে যি এখন হাত দাঙি দুয়ো হাতেৰে কৰযোৰ কৰি খুজিলেহে কাপোৰ দিম। গোপীসকলে উপায় নাপাই দুয়ো হাত দাঙি কাপোৰ খোজাত কাপোৰ দিলে। ইয়াৰ অৰ্থ এই "হে জীৱ! যদি মোক পাব খোজা, যদি তোমা-লোকক সকলো সদ্গুণেৰে ভূষিত কৰিব লাগে তেন্তে মোক একমনে, একধ্যানে, যথাসৰ্ব্বস্ব, তোমালোকৰ লজ্জাৰ আৱৰণকো মোক দিয়া, তেহে কাপোৰ পাবা, তেহে মোক পাবা। এহাত মোলৈ দাঙি, ইহাত সংসাৰলৈ ৰাখি, সংসাৰৰ সুখলৈ, লাজ ঢাকিবলৈ ৰাখিলে মোক সম্পূৰ্ণৰূপে নোপোৱা এইটোহে প্ৰকৃত অৰ্থ। বাইবেলত যীশুৱে কৈছে, "And if thou wouldst obtain the Heaven, give thy things to the poor and come thou poor" অৰ্থাৎ তুমি যদি স্বৰ্গৰাজ্য পাব খোজা তেন্তে তোমাৰ যথাসৰ্ব্বস্ব লোক দান কৰি দুখীয়া হৈ মোৰ ওচৰলৈ আহা; তেহে স্বৰ্গৰাজ্য পাবা। এই উপদেশেৰে সৈতে গোপীৰ বস্ত্ৰহৰণৰ আখ্যানটো নিমিলেনে?

দকৈ ভাবি চাবলৈ গলে, কৃষ্ণ এটি সৰ্ব্বাঙ্গসুন্দৰ পৰিপূৰ্ণ ৰূপৰ, অতি মনোহৰ ঈশ্বৰ-বিষয়ক কল্পনা; ঈশ্বৰক ভাবিবলৈ,

ভক্তি কৰিবলৈ এটি সুন্দৰ ৰূপক। প্ৰভু শঙ্কৰদেৱৰ কৃষ্ণটি এনেকুৱাই।

আজি অলপ দিন হল থিয়ছফিকেল্ চছাইটিৰ আগৰ ভাইচ-প্ৰেছিডেণ্ট মহাত্মা জিনাৰাজাদাস এম এ মহোদয়ে এখন কিতাপত লিখিছে যে ঈশ্বৰক শ্ৰদ্ধা-ভক্তি কৰা, সেৱা কৰা প্ৰায় সাত ৰকম পন্থা আছে। পন্থাকেইটা অতি চমুকৈ উল্লেখ কৰি চোৱা যাওক, আমাক প্ৰভু শঙ্কৰদেৱে দি যোৱা বৈষ্ণৱ ধৰ্ম্মটি কোনকেইটা পন্থত পৰে।

১ম। কৃপা ভিক্ষা কৰি কৰা সেৱা—ইয়াত ঈশ্বৰ আৰু মনুষ্য দুয়ো বেলেগ। ঈশ্বৰ মহান মানুহ দুৰ্ব্বল, সদায় পাপলৈ ধাৱমানযুক্ত। ঈশ্বৰক পাবলৈ হলে নিষ্কপটভাবে অনুতাপ কৰি ঈশ্বৰৰ কৃপা ভিক্ষা কৰিব লাগে। ঈশ্বৰ সময়ে সময়ে ভক্তৰ নিমিত্তে ভয়াবহো হৈ উঠে, যেনে- অৰ্জ্জুনে বিশ্বৰূপ দেখোঁতে, শাক্তে পৰম মাতৃৰ কালীৰূপ দেখোঁতে।

২য় প্ৰেমৰ দ্বাৰাই ঈশ্বৰ সেৱা—এই পন্থত ঈশ্বৰে সদায় মানুহক আনকি সকলো জীৱকে ভাল পায়, পাপী তাপীকো কৃপা কৰে। ঈশ্বৰ মহাপ্ৰেমিক, তেওঁ ৰাধা-বল্লভ। তেওঁৰ নাম-কীৰ্ত্তন কৰাটোৱেই ভকতৰ কৰ্ত্তব্য। আমি যেন তেওঁক দেৱতা বুলি দূৰত নথওঁ, পিতৃদেব বুলি যেন আঁতৰত নাথাকোঁ, তেওঁক যেন আপোন বুলি, নিজৰ বুলি, অন্তৰৰো অন্তৰতম প্ৰাণ বুলি, বন্ধু বুলি, সখা বুলি,

সঙ্গী বুলি আকোৱালি ধৰোঁ; তেওঁতে যেন মন, বুদ্ধি, প্ৰাণ সকলো সমৰ্পণ কৰো; তেওঁ যেন "আমাৰ প্ৰেম-ভিক্ষাৰী প্ৰেমেৰ হৰি" হয়!

৩য়। **অদ্বৈতবাদ**—এই পন্থাই কয় যে ঈশ্বৰ আৰু মনুষ্য এক। ঈশ্বৰত বাজে এই বিশ্বব্ৰহ্মাণ্ডত আন কোনো বস্তুৱেই নাই। এইটোৱেই বেদান্তৰ মত। আৰু এই টোৱেই আজিকালি খৃষ্টবিজ্ঞান, মনোবিজ্ঞান Menti-culture, নতুন চিন্তাৰ ধাৰা New thought। সাংখ্যই পুৰুষ-প্ৰকৃতি, জড় চৈতন্য দুটা ভাব লৈ কৈছে যে জড়েই হৈছে মায়া। মিছা মায়াময় জড়ক মনৰ পৰা আঁতৰাব পাৰিলেই চৈতন্যত বাজে, পুৰুষত বাজে, আন একো নাথাকে। অদ্বৈতবাদে দুটাৰ স্বীকাৰ নকৰে; অদ্বৈত-বাদে কয় -একো ব্ৰহ্ম দ্বিতীয়ঃ নাস্তি। ঈশ্বৰে মায়া-ইহে জীৱক আবৃত কৰি ৰাখে, সেই মায়া আঁতৰাব পাৰিলেই জীৱমাত্ৰেই শিৱ। এই পন্থৰ মূল মন্ত্ৰ সোঽহম।

৪ৰ্থ। **প্ৰকৃতিৰ ভিতৰেদি ঈশ্বৰ সেৱা**—এই যে আমি চাৰিউফালে গছ-বৃক্ষ, লতা, নৈ, জীৱ-জন্তু ইত্যাদি দেখোঁ এই সকলোতে যেন আমি ঈশ্বৰৰ ৰূপ দেখিবলৈ পাওঁ। সুন্দৰ দহিকতৰা চৰাইটিক পুৱাতে দেখিলে আৰু তাৰ মাত শুনিলে কব পাৰোঁ—"শোভান তেৰে কুদৰত"—হে প্ৰভু, তোমাৰ সৃষ্টি কেনে সৌন্দৰ্য্যময়! চন্দ্ৰৰ ৰূপ দেখিলে আমি কব পাৰোঁ, "ৰে শশাঙ্ক মনোহৰ, বলনা

এমন মোহন ৰূপ পাইলে কোথায়!” ওখ পৰ্ব্বত, গভীৰ সমুদ্ৰ দেখি কব পাৰোঁ -প্ৰভু তুমি কি মহান! গোলাপ ফুলটি দেখিলে কব পাৰোঁ --প্ৰভু, তুমি কেনে সুন্দৰ!

৩য়। Ritual বা ক্ৰিয়া কলাপৰ দ্বাৰাই ঈশ্বৰক পোৱা আৰু সেৱা কৰা - ভকতসকলে যেতিয়া একান্তমনে সংকীৰ্ত্তন কৰে বা নাম ধৰে, তেতিয়া কেনো ঈশ্বৰ অলক্ষিতে আহি আৱিৰ্ভাৱ হয়। যিবিলাক ক্ৰিয়া কৰা যায় তাৰ মূলত এই যে যোগিবাই ঈশ্বৰেই এই বিশ্বব্ৰহ্মাণ্ডৰ পতি, তেতিয়া আমি ক্ষুদ্ৰাদপিক্ষুদ্ৰ হৈয়ো যদি তেওঁক অৰ্চ্চো, তেওঁৰ নামত ক্ৰিয়া-কলাপ কৰোঁ তেন্তে তেওঁ আমাৰ ভাল কৰিব। আমি যে পিতৃ-মাতৃৰ শ্ৰাদ্ধ কৰোঁ তাৰো হেনো পিতৃ-মাতৃৰ ছাঁ আছে। ছাঁ নাহিলেও আমাৰ শুভ দৃষ্টি পৰে; পিণ্ডাদি দান দিয়া হলে সন্তানে বা কৰ্ম্মকাৰকে প্ৰাৰ্থনা কৰে আৰু ব্ৰাহ্মণে অৰ্থাৎ পুৰোহিতে আশীৰ্ব্বাদ কৰে, “হে প্ৰভু, তুমি এই পিণ্ডদানাদি গ্ৰহণ কৰি কাৰ্য্যকাৰকৰ প্ৰতি প্ৰসন্ন আশীৰ্দ্দাতা হোৱা”। ক্ৰিয়া-কলাপ কৰোঁত ক্ৰিয়া-কাৰকজন শাস্ত্ৰবেত্তা, ক্ৰিয়াবেত্তা হব লাগিব, তেহে হেনো ক্ৰিয়াৰ সুফল পোৱা যায়।

এতিয়া যদি শুনি প্ৰভু শঙ্কৰদেৱে আমাক দি যোৱা ধৰ্ম্ম কোন পথৰ ভাবি চাওঁ তেন্তে আমি পাওঁ যে ইয়াত সকলো ৰকমৰেই ভাব আছে। নাম-ঘোষা পঢ়িলে, কীৰ্ত্তন

দশম পঢ়িলেও আমি পাওঁ যে আমাৰ মহাপুৰুষীয়া ধৰ্ম্মত ঈশ্বৰৰ কৃপা ভিক্ষা কৰা অৰ্থাৎ প্ৰথম পন্থৰো ভাব আছে, যেনে :—

"মোৰ সম পাপী লোক নাহিকে এ তিনি লোক
তুমি সম নাহি পাপহাৰী ॥
ইজানি গোবিন্দ মোক যেন জুয়াই কৰিয়োক
তুৱা পদে কৰোহোঁ গোহাৰি ।
সহস্ৰ সহস্ৰ গতি অপৰাধ দিনে ৰাতি
কৰোঁ মই মহা মূঢ় জন ।
আমি প্ৰভু তযু দাস আকে মানি জগবাস
ক্ষমিয়োক শ্ৰীমধুসূদন ॥"

২। আমাৰ মহাপুৰুষীয়া ধৰ্ম্মতো লেই প্ৰেমৰ ধৰ্ম্ম—এই প্ৰেম পুত্ৰৰ প্ৰতি পিতাৰ, বন্ধুৰ প্ৰতি বন্ধুৰ, প্ৰভুৰ প্ৰতি ভৃত্যৰ প্ৰেম, স্বামীৰ প্ৰতি পত্নীৰ, জীৱাত্মাৰ পতি পৰমাত্মাৰ প্ৰেম; কিন্তু ৰাধাৰ প্ৰতি বঙ্গদেশীয় পৰকীয়-প্ৰেম নহয়, যদিও বৰগীতৰ দুই এঠাইত

প্ৰাণনাথ নকৰা বঞ্চিত, তোমাৰ বিয়োগ অগ্নি দহে মোৰ চিত্ত
পতি সুত সুহৃদ সোদৰ বন্ধুজন
সব সুখ তেজি তেৰি ভজিলোঁ শৰণ ।
সোতি প্ৰাণনাথ তুহুঁ যাহা কাহা লাগি
নৰহে জীৱন মেৰি তেৰি লাগি আগি ॥"

এনেকুৱা বচনো আছে ।

৩। যদিও প্ৰভু শঙ্কৰদেৱে জানিছিল যে মনুষ্যৰ চৰম জ্ঞান, চৰম ভক্তি অদ্বৈতবাদত অৰ্থাৎ বেদান্তমতে সোহহংমতত আৰু বৈষ্ণৱৰ যোগবাশিষ্ট গ্ৰন্থমতেও এই সোহহংমতেই খৃষ্টিয়ানমতে মই আৰু পিতৃ ঈশ্বৰ একে, আৰু মছলেম ধৰ্ম্মত আনালহকত,—তথাপি প্ৰভুৱে সৰ্ব্বসাধাৰণ মনুষ্যৰ নিমিত্তে অদ্বৈতবাদ সমৰ্থন কৰা নাছিল। প্ৰভুৱে জানিছিল যে ভক্তৰ প্ৰথম অৱস্থাতে অথবা মূৰ্খ মানুহক এই অদ্বৈতবাদ দিলে, লৰাক জুই বা কটাৰীৰে সৈতে ধেমালি কৰিবলৈ দিয়া হয়। সেইদেখি মহাপুৰুষীয়া ধৰ্ম্মত কেনেবাকৈ কোনোবা সন্ন্যাসীয়ে শুকান অদ্বৈত ভাব সুমাই দিয়ে বুলিয়েই প্ৰভুৱে সততে ভক্তসকলক সতৰ্ক ৰাখিছিল। কাঢ়োলা বাটৈয়ে কোনো এজন সন্ন্যাসীৰ ফুচুলনিত দ্বৈতবাদৰ একেৰা লৰচৰ কৰা বাবে প্ৰভুৱে মৰমৰ কাঢ়োলা বাটৈক শাস্তি দিবলৈ পিছ নুহুঁহকিছিল। প্ৰভুৱে জানিছিল যে কেঁচা মানুহৰ মনত অদ্বৈতবাদ সোমালে সেই তস্তানাৰায়ণ আৰু মাক্তনাৰায়ণৰ দৰে সমাজত নানা অপায়, অমঙ্গল, বুজৰুকি সোমাব। প্ৰভু শঙ্কৰদেৱে দি যোৱা মহাপুৰুষীয়া ধৰ্ম্মত অদ্বৈতবাদ নাথাকিলেও এটা বিশিষ্ট অদ্বৈতবাদ আছে। যেনে মাধৱদেৱৰ, "নামঘোষা"ত আছে :—

"তুমি নিত্য নিৰঞ্জন নাৰায়ণ আমিও অংশ তোমাৰ,
তথু সেৱা চুৰ পায়া মহামায়া মোহিলে মন আমাৰ।"

আচল অদ্বৈতবাদ মহাজ্ঞানীৰ নিমিত্তে হব পাৰে, ভক্তৰ নিমিত্তে ই বিৰোধী। ব্ৰাহ্মধৰ্ম্মৰ প্ৰবৰ্ত্তক ৰাজা ৰাম-মোহন ৰায়ে অদ্বৈতবাদকে ব্ৰাহ্মধৰ্ম্মৰ মূল ভেটী কৰি থাপি গলেও তাত ভক্তিৰ পথ, প্ৰাৰ্থনাৰ পথ লগ লগাই দি গৈছে; সেইদেখি ব্ৰাহ্মধৰ্ম্মত কাশীৰ দণ্ডী স্বামী আদিৰ অদ্বৈতবাদৰ দৰে অদ্বৈতবাদ নহৈ ঈশ্বৰৰ প্ৰতি প্ৰেম, প্ৰত্যেক কথাতে, প্ৰত্যেক গীতত্তে, প্ৰাৰ্থনাতে আছে। সমাজৰ অনিষ্টকাৰক বুলি, ভক্তিবিৰোধী বুলি, বুজৰুকিৰ আশ্ৰয়-স্থল বুলি জানি মছলেম ভ্ৰাতৃসকলৰ ঋষি মুনি অৰ্থাৎ সায়, পীৰ পয়গম্বৰ, বাদছাহসকলে আনাল হক অৰ্থাৎ আমাৰ সোহহংটোক বন্ধ কৰি দিছিল। ওমৰ খায়েমৰ "মানুহে তোমাক ক্ষমিছে দেৱতা, মানুহকো দেৱ ক্ষমিবা তুমি"—এই উক্তিত বিশিষ্ট অদ্বৈতবাদটি আছে। মনছুৰ নামে এজন মছলেম মহাত্মাই সদায় আনাল হক, আনাল হক উচ্চাৰণ কৰা বাবে এজন মছলেম বাদছাই তেওঁক নানা উগ্ৰ শাস্তি দি বধ কৰিছিল। কিন্তু মনছুৰৰ জীউটো এনেকুৱা ঈশ্বৰপ্ৰেমিক আছিল যে তেওঁৰ মৃত-দেহৰ পৰা ভস্মসাৎ হোৱা ধূলিৰ পৰাও আনাল হক শব্দ উচ্চাৰিত হৈছিল।

৪। আমাৰ মহাপুৰুষীয়া ধৰ্ম্মত প্ৰকৃতিৰ ভিতৰেদি ঈশ্বৰ-সেৱাৰ বিবৰণ নাথাকিলেও, প্ৰভুৰ প্ৰাকৃতিক বৰ্ণনা-বিলাক ইমান চিত্তাকৰ্ষক যে যদি সেই বৰ্ণনা কৰা বিষয়ক

এখন চিত্রত আঁকা যায় তেন্তে দৰ্শকৰ মন স্বভাৱতে ঈশ্বৰৰ ফাললৈ ঢাল খাব।

৫। ভাব, দৰ্শন-বিজ্ঞানৰ লগে লগে প্ৰত্যেক ধৰ্ম্মতে ক্ৰিয়া-কলাপ অনুষ্ঠান এফেৰা নহয় এফেৰা আছেই। ক্ৰিয়াৰ গৌৰব, মহত্ব আৰু উপকাৰিতা আছে। ক্ৰিয়াই সাধকৰ, ভক্তৰ, জীৱৰ মন ঈশ্বৰলৈ টানি নিয়ে। ক্ৰিয়াৰ যে মাহাত্ম্য আছে এই বিষয়ে ভাবি চাওক। ব্ৰাহ্মণৰ লৰাক লগুণ দি সূৰ্য্য উপাসনাৰ অথবা পৰোক্ষে ঈশ্বৰ উপাসনাৰ যিটি মন্ত্ৰ দিয়ে সেই মন্ত্ৰটি মুঠেই ৩২টা আখৰৰ। সেই মন্ত্ৰটো এডোখৰ কাগজত লিখি দি মুখস্থ কৰিবলৈ দি যেনে তেনে সূতাৰে এডাল লগুণ আঁৰি দিলেইতো হয়; কিন্তু তাকে নকৰি কিমানখিনি অনুষ্ঠান, ক্ৰিয়া, সেৱা, পূজা, অগ্নিত হোমাদি কৰায় আৰু চুলি খুৰাই মন্ত্ৰ পঢ়ি পঢ়ি কে একো দণ্ডিকৈ সূতাৰ লগুণ, লগতে চামৰাৰ লগুণ, দণ্ড, পগি, খৰম ইত্যাদি দিয়ে। ইয়াৰ দ্বাৰাই লগুণ লোৱা লৰাজনৰ মনলৈ দিওঁতাজনৰ মনলৈ এটা গৌৰৱময় শক্তি আহে। লগুণডাল যে এটি পবিত্ৰ বস্তু আৰু এই লগুণে যে ব্ৰাহ্মণ সন্তানজনক নিতৌ সূৰ্য্য উপাসনত অথবা ঈশ্বৰ উপাসনাত মন ৰাখিব এই কাৰণেহে তাতবিলাক ক্ৰিয়া। সেইদৰে যেতিয়া বৈষ্ণৱ ধৰ্ম্মত মানুহক শৰণ দিয়া হয় সেই শৰণত মাত্ৰ কিছুবাৰ উপদেশ দিয়ে। তাকতো এনেয়েও দিব পাৰে কিন্তু সেই

তিনিষাৰ কথাকে দিবলৈ শৰণ লোৱাজনক আগদিনা লঘোণে ৰাখে, পিছ দিনা নোৱাই-ধুৱাই, নতুন কাপোৰ পিন্ধাইহে সেই তিনিষাৰ কথাকে শিকায। কাৰণ কি? শৰণৰ মাহাত্ম্য, ঈশ্বৰৰ প্ৰতি গভীৰ শ্ৰদ্ধা ভক্তি নিত্য কৰি ৰাখিবলৈ এইবিলাক অনুষ্ঠান। সেইদৰে মছলেম ধৰ্ম্ম, খৃষ্টিয়ান ধৰ্ম্ম, আনকি ব্ৰাহ্মধৰ্ম্মতো অনুষ্ঠান আছে। প্ৰভু শঙ্কৰদেৱৰ এই মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম্মতো শৰণ, ভজন, নামত সেৱা, ভকতত সেৱা, প্ৰভুত সেৱা, নাম গোৱা, নাম-শ্ৰৱণ, মনন, পাদসেৱন, বন্দন ইত্যাদি আৰু পৰ্ব্বে পৰ্ব্বে দৌল, জন্মাষ্টমী, ঝুলন-যাত্ৰা ইত্যাদি অনুষ্ঠান হৈ গৈছে।

মহাপুৰুষীয়া ধৰ্ম্মত, মানে বৈষ্ণৱ ধৰ্ম্মত, হৰিৰ নাম গোৱাতেই প্ৰধান ধৰ্ম্ম। এই হৰিৰ নামত জাতি কুলৰ, উগ্ৰ চাপৰৰ, ধনী নিৰ্ধনীৰ, দুখীয়া সুখীয়াৰ বিচাৰ নাই। হৰিভক্তিপৰায়ণ চণ্ডালো অহৰিভক্ত ব্ৰাহ্মণতকৈ শ্ৰেষ্ঠ। মাধৱদেৱে "নাম-ঘোষা"ত লিখিছে :

"বৰ্ণাশ্ৰম ধৰ্ম্ম নত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।
হৰিনাম কীৰ্ত্তনৰ নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম মাজে সাৰ॥"

এই পৰম মাঙ্গলিক, পৰম সুন্দৰ, মহা-পুৰুষীয়া ধৰ্ম্ম সকলো জাতিৰে মানুহে লব পাৰে। হৰিজনসকলকো, বৰ্ত্তমানে চাহ-বাগিচাৰ পৰা ভলাই অনা সুৰাসকলকো, আন আন বিদেশীকো আমি

PLEASE HANDLE THE BOOK CAREFULLY.

আমাৰ মহাপুৰুষীয়া ধৰ্ম্ম দি আপোন কৰি লব পাৰে। প্ৰভু শঙ্কৰদেৱেই যৱনৰ হৰিদাসক, গাৰোৰ গোবিন্দক, মিৰিৰ নাৰায়ণক আতৈ অৰ্থাৎ apostle saint বা মহন্ত পাতি গৈ গৈছে। আমাৰ মহাপুৰুষীয়া ধৰ্ম্ম ইমান উদাৰ। আমাক লাগে ৰাইজৰ আশীৰ্ব্বাদ, নহ জোকৰা হলেও ধন, আৰু বঙ্গদেশত ৰাম কৃষ্ণ মিশ্যনৰ সন্ন্যাসী আৰু কৰ্ম্মীসকলৰ দৰে কেৱল পেটত খোৱাকী খাই, গাত এখন বা দুখন কাপোৰ লৈ ফুৰিব পৰা, স্বাস্থ্যবান, ভক্তিমান, বিদ্বান, জ্ঞানী, সকলে শাস্ত্ৰত পাৰ্গত, স্বাৰ্থত্যাগী কৰ্ম্মী। আমাৰ লাগে প্ৰভু শঙ্কৰদেৱৰ আশীৰ্ব্বাদ

যি শঙ্কৰদেৱ প্ৰভুৱে আমাক হাতবিলাক সম্পদ আৰু সম্বল দি গৈছে আহক, সেই প্ৰভুৰ আশীৰ্ব্বাদ লভিবলৈ সেই প্ৰভুৰ উদ্দেশে সমস্বৰে থিয় হৈ গাওঁ—

"জয় গুৰু শঙ্কৰ সৰ্ব্বগুণাকৰ
যাকেৰি নাহি উপাম।
তোহাৰি চৰণ ৰেণু শতকোটী
বাৰেক কৰোঁ হো প্ৰণাম॥"

ওঁ শান্তি! শান্তি!! শান্তিৰেৱ শান্তি!!!

কৃষ্ণাৰ্পণমস্তু

DISTRICT LIBRARY
HEM BARUA ...

পুথি পোৱাৰ ঠিকনা ঃ-

শ্ৰীপদ্মধৰ চলিহা,

সম্পাদক শঙ্কৰদেৱ সমাজ,

শিৱসাগৰ, অসম।

Printed at the Khatoon Press, Jorhat.

by G K Saikia.